# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFERENCE
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

JULY-AUGUST SESSION

## NO. 5

The 2nd August, 1991.

Price— 9.70

REFERENCE
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

# CONTENTS

## JULY-AUGUST, SESSION

## No.— 5

Dated the 2nd August 1991


| | | Page |
|---|---|---|
| 1: | Short Notice Questions & Answers | 1—3 |
| 2. | Discussion During Zero Hour | 4—16 |
| 3. | Adjournment Motion | 17—28 |
| 4. | Call Attention | 28—32 |
| 5. | Matter under rule 301 | 32—35 |
| 6. | Debates on Governor's Address | 35—49 |
| 7. | Adjournment | 49 |
| 8. | Annexure | 50 |

# DEBATES OF THE
# ASSAM LEGISLATIVE ASSEMBLY

Friday, the 2nd August, 1991.

The House met at nine of the Clock in the Assembly Chamber, Dispur with Shri Jibakanta Gogoi, Speaker in the Chair.

## SHORT NOTICE
## QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Short Notice Question No. 1 Shri Zoii Nath Sarma.

**বিষয় ঃ ৰাষ্ট্ৰপতিৰ শাসনৰ সময় ছোৱাত ৰাজ্যপালৰ উপদেষ্টা তিনি জনৰ সৰ্ব্বমুঠ ব্যয় সম্পৰ্কে ।**

শ্ৰীজয়নাথ শৰ্ম্মায়ে সুধিছে :

১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯০ চনত প্ৰৱৰ্ত্তন কৰা ৰাষ্ট্ৰপতিৰ শাসনৰ সময় চোৱাত ৰাজ্যপালৰ উপদেষ্টা তিনিজনৰ বাবদ সৰ্ব্বমুঠ চৰকাৰৰ কিমান টকা ব্যয় হ'ল ?

(খ) প্ৰতিজন উপদেষ্টাৰ বাবদ দৰমহা, ভ্ৰমণ বানচ, থকা-খোৱা আৰু অন্যান্য যাৱতীয় খৰচ পৃথক পৃথক ভাৱে দেখুৱাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯০ চনত প্ৰৱৰ্ত্তন কৰা ৰাষ্ট্ৰপতিৰ শাসনৰ সময় চোৱাত ৰাজ্যপালৰ উপদেষ্টা তিনিজনৰ বাবদ চৰকাৰৰ সৰ্ব্বমুঠ ব্যয় হৈছিল ৫,০৯,৯৮৮,১৫ টকা ( পাচ লাখ ন হেজাৰ ন শ অষ্টাশী টকা পোন্ধৰ পইচা ) মাত্ৰ।

(খ) প্ৰতিজন উপদেষ্টাৰ বাবদ দৰমহা, ভ্ৰমণ বানচ, থকা-খোৱা আৰু অন্যান্য যাৱতীয় খৰচৰ এখন প্ৰবিৱৰণ সদনৰ মজিয়াত দাখিল কৰা হ'ল।

*(See the Annexure- I)*

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, কথাটো হৈছে, ৰাজ্যপালৰ উপদেষ্টা

সকলক এজন চৰকাৰী চাকৰিয়াল বুলি গণ্য কৰা হয়নে নহয়? যদি হয়, তেন্তে কি কাৰণে এই সকলৰ খোৱাৰ খৰচ চৰকাৰে বহন কৰিব লগীয়া হ'ল?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ মন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া, খৰচৰ শিতানত দৰ্মহা, টি, এ, ডি, এ, বাতৰি কাকত, লাইট বিফ্ৰেচমেণ্ট আৰু পি, অ' এল দেখুৱা হৈছে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, মই লাইট ইনভেষ্টমেণ্টৰ ক্ষেত্ৰত অভিযোগ অনা নাই। মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যি সময়ত অসমৰ জনগণই এমুঠি ভাত খাবলৈ পোৱা নাই, সেই সময়ত তেখেতসকলে হাৰ্লিকাৰ খোৱা বুলি শুনিছো, কথাটো সত্য যদি আমাক কৈ দিয়ক।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ অধ্যক্ষ ডাঙৰীয়া ইয়াত বিতং লিষ্টখন দিয়া নাই, কিন্তু মই চাইছো গড় মাহে এহেজাৰ টকাকৈ পৰিছে।

শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, তিনিজন মানুহে ৫ লাখ ৯ হেজাৰ টকা খৰচ কৰিছে, বিতং দেখুৱা নাই। মই জানিব বিচাৰিছো কেনেকৈ গড়ে মাহে একলাখ টকা খৰছ কৰিলে? মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি আইটেম ওৱাইজ দেখুৱাব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ আইটেম ওৱাজ দেখুৱা হৈছে—দৰমহা ১ম জনৰ ৭০,৯২২,৬০ টকা, ২য় জনৰ ৭৩,২৩০·৬০ টকা আৰু ৩য় জনৰ ৯৯,০০৪·৪০, দৰমহাৰ ক্ষেত্ৰত ইয়াতকৈ বিতং দিব নোৱাৰো।

Mr. Speaker : Now short Notice Questions No. 2 Shri zoii Nath Sarma,

**বিষয় ঃ ৰাজ্য চৰকাৰৰ বিত্তীয় সংকট।**

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ

২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯১ চনৰ ১০ জুলাই তাৰিখৰ দৈনিক অসম কাকতত "ৰাজ্য চৰকাৰৰ বিত্তীয় সংকট" শীৰ্ষক বাতৰিটোত এগৰাকী মন্ত্ৰীয়ে সাংবাদিকৰ আগত অ গ প চৰকাৰে নৱম পৰিকল্পনাৰ টকাও খৰছ কৰিলে বুলি কোৱা কথা সচানে?

(খ) ২৪ কোটি টকা ৰাজ্য চৰকাৰে ৰিজাৰ্ভ বেংকৰ পৰা ধাৰে লোৱা বিষয়টো সচানে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) নহয়

শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে প্ৰশ্নৰ উত্তৰত কৈছে যে নহয়, কিন্তু ১০ জুলাইৰ দৈনিক অসম বাতৰি কাকতত বিভাগীয় ৰাজ্যিক মন্ত্ৰীৰ এটা বিবৃতি প্ৰকাশ পাইছিল যে "অ গ প ৰ আঞ্চলিক চৰকাৰৰ দৰে কংগ্ৰেছ ই চৰকাৰো বিত্তীয় সংকটৰ সন্মুখীন হৈছে। যোৱা ৬ জুলাইত ইয়াৰ আৰ্বত্ত ভৱনত গড়কাপ্তানি শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী শৰত বৰকটকীয়ে বাতৰি মেলত বিত্তীয় দুৰবস্থাৰ কথা স্বীকাৰ কৰি কয় যে চৰকাৰে ৰিজাৰ্ভ বেংকৰ পৰা ২৪ কোটি টকা ধাৰলৈ লব লগা হৈছে। পৰিকল্পনাৰ টকা নাই বুলি শ্ৰীবৰকটকীয়ে কয় যে অ গ প চৰকাৰে নৱম পৰিকল্পনাৰ টকাও খৰচ কৰিলে। এই বাতৰিটো প্ৰকাশ হোৱাৰ পিচত কোনো স্পষ্টীকৰণ দিয়া নাই। কথাটোৰ সত্যা-সত্যৰ সম্পৰ্কত সংশ্লিষ্ট মন্ত্ৰীয়ে এটা বিবৃতি দিবনে ? ২ য়তে, নৱম পৰিকল্পনাৰ ধনো খৰচ কৰিলে বুলি বাতৰিটোত কৈছে, অধ্যক্ষ মহোদয়, নৱম পৰিকল্পনা আৰম্ভই হোৱা নাই অসম গন পৰিষদক হেয় কৰি ৰাজহুৱা ভাৱে এই বাতৰি কিহৰ ভিত্তিত প্ৰকাশ কৰিব লগা হল মন্ত্ৰী মহোদয়ে জনাবনে ? এগৰাকী মন্ত্ৰীয়ে প্ৰেছ মেলত এনে কথা কিয় কব লগা হল ? জ্ঞানৰ অভাৱত এই কথা কৈছিল নেকি, আমাক কব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী গৰাকীয়ে কোৱা নাই বুলি কৈছে। শৰ্মা ডাঙৰীয়াই ঠিকেই কৈছে যে নৱম পৰিকল্পনা আৰম্ভই হোৱা নাই, অষ্টম পৰিকল্পনাই শেষ হোৱা নাই, তেনে স্থলত, নৱম পৰিকল্পনাৰ প্ৰশ্নই উঠিব নোৱাৰে।

শ্ৰীজয়নাথ শৰ্মা : তেনেহলে বাতৰি কাকতত চৰকাৰী ভাৱে মাননীয় মন্ত্ৰী গৰাকীয়ে স্পষ্টীকৰণ দিব বুলি আশা কৰিলো।

## DISCUSSION DURING ZERO HOUR.

Mr. Speaker : I have received 9 Zero Hour notices and as Rule permits, I have selected three only.

In regard to the Zero Hour notices, I would like to draw the attention of the Honourable Members and Honourable Ministers to Rule 49 of the Directions by the Speaker, Assam Legislative Assembly, which reads :

Rule 49 : "Unless the Speaker otherwise directs no matter of public importance shall be allowed to be raised during Zero Hour which occurred three days before the day on which it is proposed to be raised. The member desiring to raise such matter shall give notice of his intention to raise such matter to the Speaker and Secretary, atleast one hour before the commencement of the Session. The Speaker in his discretion may allow the member to raise the matter and the concerned Minister may give a reply if required information and other materials are available with him, otherwise the replies shall be given by the Minister according to his convenience and the matter shall be treated as raised. Provided that not more than three such matters shall be allowed to be raised on any particular day."

In addition to this, I would like to request the Honourable Members to enclose a copy or a photostat copy of the Newspaper in future, on which the Zero Hour notices are brought, so that, we can take immediate action.

Now, Zero Hour notice No. 1

The Honourable Member, Shri Padmeswar Doley on

1\. 8. 91. on a news-item published in "Dainik Janambhumi" dated 30. 7. 91. regarding "সাহায্যৰ নামত খাদ্য অনুপযোগী চাউল বিতৰণ"।

Now, I call upon the Honourable Member, Shri Doley to speak on the matter.

শ্ৰীপদ্মেশ্বৰ দলে : মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত মাজুলী সম্পৰ্কত দৈনিক জনমভূমি ৰাভৰি কাকতত ২৩ জুলাই তাৰিখে প্ৰকাশিত এটা বাতৰিৰ সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাজুলীত যিবিলাক খাদ্য-সামগ্ৰী ৰানপানীৰ সময়ত বিতৰণ কৰা হৈছিল সেইবিলাক নিম্নমানৰ আৰু বেয়া বুলি কোৱা হৈছে। মাননীয় সদস্য সকলে জানে মাজুলী সদায়ে প্লাবিত মহকুমা এই মহকুমাত বহাগ মাহৰ পৰা বানপানী আৰম্ভ হয়। অন্য ঠাইত বানপানী নহলেও মাজুলীত প্ৰতি বছৰে বানপানী হয়। কিন্তু এইবাৰৰ ৰানপানীৰ সময়ত যিবিলাক খাদ্য দিয়া হৈছে সেইবিলাক খাদ্য হেনো গৰুৱেও নাখায়। বাতৰিত প্ৰকাশ কৰা মতে এই চাউলবিলাক দীৰ্ঘদিন ধৰি গুদামত জমা হৈ থকা পছা চাউল ষ্টেট ফেদৰ গুদামৰ পৰা অনা। এই চাউল বিলাকত ছিগাৰেট বিড়ীৰ টুকুৰা আনকি জাবৰ জোঠৰো পোৱা গৈছে। মই এমাহকাল তাত ভ্ৰমণ কৰিছো। মাজুলীত বিশেষকৈ বনৰীয়া তোগপুৰী আদি ঠাইৰ লোক সকল গায়নগাওঁ হাইস্কুলৰ কেম্পত আছে তেওঁলোকক গেলা-পছা চাউল দিয়া হৈছে। এই মানুহবিলাকৰ ঘৰবিলাক সম্পুৰ্ণ ভাবে ডুব গৈছে। মাজুলীৰ গড়মুৰত থকা আৱৰ্ত্তভৱন পৰ্য্যন্ত পানীত ডুব গৈ আছে। মাজুলীত যোগান ধৰা খাদ্যবস্তুবিলাক যথেষ্ট পৰিমাণৰ নাছিল। যিহেতু বহাগৰ পৰা তাত বাৰিষা হয় সেই হিচাবে যথেষ্ট পৰিমাণৰ খাদ্যবস্তু মজুত থাকিব লাগিছিল। কিন্তু মাজুলীত এফ, চি, আই, ৰ গুদাম নাই, ষ্টেটফেডৰ গুডামত মাত্ৰ ৬০০ কুইন্টল চাউলহে জমা আছে। অথচ এই গুদামত ৬০০০ কুইন্টল চাউল ৰখাৰ ক্ষমতা আছে। ৰাৰিষা অহাৰ আগতে যোৰহাটৰ উপায়ুক্তৰ আৰু উচ্চপদস্থ বিষয়াসকলৰ আলোচনাত বিষয়টো আলোচনা কৰা হৈছিল কিন্তু আলোচনা কৰাৰ পাছতো মাত্ৰ ৬০০ কুইন্টল চাউল জমা ৰখাটো আচৰিত কথা। আন-হাতে যিবিলাক খাদ্য দিয়া হৈছে সেইবিলাক একেবাৰে অখাদ্য, ১০ দিনৰ মুৰত মানুহে এপোৱা চাউল পাইছে। অথচ যোৰহাট জিলাত ৰিলিফৰ নামত

২৬ লাখ টকা খৰচ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ ইপাৰে অৰ্থাৎ নিমাটিঘাটৰ আশে-পাশে য'ত পানী হোৱা নাই তাত যথেষ্ট পৰিমাণৰ টকা খৰচ কৰা হৈছে। অথচ পৃথিৱীৰ ভিতৰত বৃহত্তম নদী-দ্বীপ মাজুলীত য'ত মানুহ আজিও পানীত বুৰি আছে তাত ভাল খাদ্য সামগ্ৰী যোগান ধৰা নাই। মানুহ বিলাক এতিয়াও মঠাউৰীত আছে ঘৰবিলাক ডুবি আছে তেওঁলোক সহজে বস্তিত ঘূৰি যাব নোৱাৰে আৰু বহুদিন কেম্পতে থাকিব লাগিব। তেওঁলোক বহুতেই আজি মাটিহীন। তেওঁলোকক মাটি পট্টন দিবলৈ ৰাজহ মন্ত্ৰীক অনুৰোধ জনালো।

* শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী): অধ্যক্ষ মহোদয়, জিৰো আৱাৰত ৰাজহ মন্ত্ৰীক কিবা কব লাগিলে বা সুধিব লাগিলে বেলেগে নোটিচ দিব লাগিব।

* শ্ৰীপদ্মেশ্বৰ দলে: মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই কৈছো যিবিলাক চাউল যোগান ধৰা হৈছে সেই বিলাক গৰুৰ খাদ্য আছিল। এনেধৰণৰ চাউল যাতে যোগান ধৰা নহয় তাৰ ব্যৱস্থা লবলৈ আৰু কিয় বেয়া খাদ্য যোগান ধৰিলে তাৰ তদন্ত কৰি দোষী বিষয়াক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবলৈ মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিবিলাক অভিযোগ আনিছে খাদ্য বস্তু সম্পৰ্কে এই কথা বিলাক সঁচা নহয়। মই দুখ পাইছো এই কাৰণেই যে মাননীয় সদস্য গৰাকী সেই সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী হৈয়ো পত্ৰিকাখনৰ ওপৰত ভিত্তি কৰি অভিযোগ আনিছে। এই পত্ৰিকাৰ ওপৰত ভিত্তি কৰি অভিযোগ নানি নিজস্ব-ভাবে তাত গৈ চাই চিতি বক্তব্য ৰখা হলে ভাল পালোহেতেন। মই মাজুলীলৈ গৈছো তেখেতৰ ঘৰৰ ওচৰতে হেলিকেপ্টাৰেৰে খাদ্য সামগ্ৰী ড্ৰপ কৰিছো। আমাক শাৰি পাতি থকা মানুহখিনিয়ে অভিনন্দন জনাইছে। বহুত মানুহ বিৰাট বিৰাট লাইন কৰি আছিল। মাজুলীৰ গোটেই ঠাই বিলাক মই ভালদৰে জানো। মাজুলীত বানপানী হোৱাৰ পিছত তাৰ পৰা বহুতো মানুহ আহিছে আৰু খাদ্য সামগ্ৰীৰ বিতৰণৰ প্ৰশংসা কৰিছে। তেখেতে কৈছে যে কিছুমানে বেয়া চাউল পাইছে। আমি কিছুমান ষ্টেটফেডৰ গ'ডাউন ইন্সপেকচন কৰিছো। তাত দেখিছো তেনেকুৱা ধৰণৰ কিছুমান চাউল সেই

* Speech not corrected.

ষ্টোৰ বিলাকত গেলি গৈছে। আজি ১ বছৰ, ডেৰ বছৰ আগৰ পৰাই সেই বিলাক ষ্টোৰত তেনেকুৱা ধৰণৰ চাউল পৰি আছে। তেখেতে নিজেই এজন মন্ত্ৰী আছিল। তেখেতে তাত কিয় এফ, চি, আইৰ গ'ডাউন খুলি দিব পৰা নাই।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ চাৰ, এফ, চি, আই গোটেই বস্তুটো ভাৰত চৰকাৰৰ অসম চৰকাৰৰ নহয়। এই বেয়া চাউল বিলাক বিতৰণ কৰি বাইজক খাবলৈ দিয়াৰ তেখেতৰ অধিকাৰ নাই। (হুলস্থুল)

* Shri Padmeswar Doley : No Minister went there to Majuli. He is telling lies (Misa).

Mr. Speaker : I am on the leg. Please take your seat.

* ডা: অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তাত গ'ডাউন কিয় নাই প্ৰশ্ন কৰিলে মই উত্তৰ দিবই লাগিব। কথা হল তাত ১ বছৰ ডেৰ বছৰ আগৰ পৰা কেনেকৈ গোট খাই থাকিবলৈ পালে তাৰ এটা এনকুৱাৰি কৰিবলৈ দিছো। কোন চৰকাৰৰ দিনত এইটো হবলৈ পালে এনকুৱাৰি ৰিপোৰ্ট পোৱাৰ পিচত জনাব পাৰিম।

* শ্ৰীপদ্মেশ্বৰ দলে : মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ সময়ত তেখেতে মাজুলীলৈ গৈছিলনে ? এতিয়া এনকুৱাৰিৰ কথা কৈছে (হুলস্থুল)।
I find no Minis'er went there except Mr. Pegu. (interruptions) I withdraw the word 'Misa'.

Mr. Speaker : Honourable Members should only raise the matter. There should be no discussion and the Minister concerned will reply. I have received another notice for raising zero Hour matter from the Honourable Members Shri Chandra Mohan Patowari and Shri Zoii Nath Sarma on a news item appeared in the North Eest Times on 1. 8. 91. Now I call upon the Honourable Members to raise the matter one by one.

---

* Speech not corrected.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : যোৱা কালি 'নৰ্থ ইষ্ট টাইমচৰ শীৰ্ষক বাতৰি এটাৰ ওপৰত প্ৰশ্ন কৰিব বিচাৰিছো। এই বাতৰিটোৰ গুৰুত্ব বহু আছে। সম্প্ৰতি অসমৰ পৰিস্থিতিৰ আৰু গুৰুত্বৰ কথা উপলব্ধি কৰি বিষয়টোৰ উৎথাপন কৰিছো। বিবৃতিটো ২/১ টা লাইন পঢ়ি দিছো আৰু সদনৰ পৰা ইয়াৰ স্পষ্টীকৰণ জানিব বিচাৰিছো। talks with ULFA militants with in a week or so.... .... .... .... .... .... .... in a press statement of July, 26 issued on 21st July said that recently Government of Assam with the help of Army is out to destroy the aspirations and freedom of the Assamese people. We have come to know from reliable sources that a high level meeting attended by Chief of the Army (surprisingly Commissioner, Home Department and the concerned officers in charge law and order were missing). .... .... Army Forces Special power Act, 1989, Disturbed Area Act.... .... As per provision of that act at any time, at any day.... it is a threat towards the soverignty of the country .... .... .... Where is the locus standy of the Government, where is the prestige of the Government and where is the democracy of the country .... .... .... ....

Mr. Speaker : Honourable Members should confine the matter within the meaning of zero hour matter. It should only be raised and it should be as brief as possible. He should only as raise the matter.

* Shri Chandra Mohan Patowari : Mr. Speaker Sir, I shall try my level best to be brief as far as possible. I am confining to the news item only......................

মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা বাতৰি ওলাইছে গোটেই বিলাক নপঢ়ো। অসমৰ সম্প্ৰতি যিবিলাক সমস্যা সেইবিলাকৰ ওপৰত ভিত্তি কৰি মাননীয়

* Speech not corrected.

মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টভাবে জানি লব বিচাৰিছো। আজি অসমৰ 'আলফা' সমস্যাটো জটিল সমস্যা হৈ পৰিছে আৰু আপোনালোকেও ভালদৰে অনুভৱ কৰিছে। সেই সম্পৰ্কে এই সদনত বহু সময়ত বহুখিনি কথা আলোচনা-বিলোচনা হৈছে। চৰকাৰৰ তৰফৰ পৰা সৰ্ব্বদলীয় দল আহিছে সেই সম্পৰ্কে বিস্তৃতভাৱে স্পষ্ট বাখ্যা দাঙি ধৰিছে। সেই সৰ্ব্বদলীয় সভাত যি সিদ্ধান্ত কৰিলে সেই সিদ্ধান্ত গ্ৰহণ কৰাৰ পিচত চৰকাৰক বিচিত্ৰ দেখা গৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে স্বাধীন দেশ এখনৰ নাগৰিক হবলৈ যাওঁতে বহুতো লোক স্বহীদ হবলগীয়া হৈছিল, পুলিচৰ মাৰ খাবলগীয়া হৈছিল। এই স্বাধীন দেশখনত স্বাধীন নাগৰিক হিচাপে বসবাস কৰিবলৈ সুযোগ দিছে জানো এই বাতৰিটোত সাংঘাটিক ধৰণৰ ২ টামান কথা আছে। আজি ডিষ্টাৰ এৰিয়াৰ, ক'লা আইন ঘোষনা কৰিছে এইবিলাক হাস্যকৰ কথা নহয়। এখন ষ্টেবল চৰকাৰ থকাৰ পিচত আপোনালোকে একো কোঅপাৰেট কৰিব পৰা নাই। এই কলা আইনখন উঠাবলৈ হলে অসম চৰকাৰে নোৱাৰে ভাৰত চৰকাৰে এই আইনখন উঠাৰ লাগিব।

অধ্যক্ষ মহোদয়, এইটো কথা ইয়াৰ লগত ৰিলেটেড হৈ আছে কাৰণেহে কৰ খুজিছো।

Mr. Speaker : Please address to me.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এই কথাখিনি কোৱাৰ উদ্দেশ্য আছে। আজি আমি এটা কথা দেখিবলৈ পাইছো যে চৰকাৰে অসমৰ অফিচাৰ সকলক বাদ দি আৰ্মিৰ লগত কথা পাতিছে। সেয়েহে আৰ্মিৰ লগত কথা পতাৰ কাৰণে আমাৰ শংকা হৈছে আৰু সেই কাৰণে আমি এটা কথা ভাবিব পাৰো নেকি যে বৰ্ত্তমান চৰকাৰখনে এনে এটা কথা ভাৱিছে নেকি যে আমি জনতা ভৱনত বহি থাকিয়েই চৰকাৰখন ঠিকমতে ৰাখি আৰ্মিৰ হতুৱাই অসমৰ জনসাধাৰণৰ ওপৰত অত্যাচাৰ চলাই যাম। ৰাষ্ট্ৰপতিৰ শাসন কালত উজনি আৰু নামনি অসমৰ কিছুমান ঠাইত সেনা বাহিনীয়ে কি ধৰণৰ অত্যাচাৰ চলালে আমি তাক নিজ চকুৰে দেখিছো। কিন্তু আজি মই এটা কথা চৰকাৰক স্পষ্টকৈ কওঁ যে অসমৰ নিৰীহ মানুহৰ

* Speech not corrected.

ওপৰত আমি আৰু তেনে অত্যাচাৰ হবলৈ নিদিও। মই নিজে মৰি হলেও তেওঁলোকৰ জীৱন ৰক্ষা কৰিবলৈ চেষ্টা কৰিম।

(সদনত হাঁহি)

আপোনালোকে এইষাৰ কথাত হাঁহিলে নহব। আপোনালোকেও এই কথা বিলাক ভালকৈ ভাবি চিন্তি চাই তাৰ ওপৰত ব্যৱস্থা লব লাগিব। মই কোনো কথাই ইয়াত ভয় কৰি নকও। হয়তো অধ্যক্ষ মহোদয়ে মোক এক্সপেল কৰিব।

Shri Mukut Sarma (Minister) : It is threat to the chair Sir.

Mr. Speaker : In the zero Hour you can raise a matter only. Please raise it within two minutes.

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : সেই কাৰণেই আপোনালোকে আজি অসমীয়া মানুহৰ ওপৰত যি ধৰণে সামৰিক বাহিনীৰ লোক জাপি দিব বিচাৰিছে তাৰ দ্বাৰা অসমীয়া মানুহৰ ওপৰত অত্যাচাৰ কৰিব বুলি শংকা হৈছে। আজি অসম চৰকাৰে অসমীয়া মানুহ কিম্বা আই, এ, এচ অফিচাৰ কিম্বা বিভাগীয় আয়ুক্তক বাদ দি এই কামবোৰ কৰিছে। কিয়নো তেওঁলোকৰ সন্দেহ হৈছে কিজানিবা এই কথাবোৰ বাহিৰত ওলাই যায়। গতিকে চৰকাৰৰ বিষয়া সকলৰো ওপৰত বিশ্বাস নাইকিয়া হৈছে। সেই কাৰণে ভাৰতীয় সামৰিক বাহিনীৰ ওপৰত অসমৰ জনসাধাৰণৰ ভাগ্য নিয়ন্ত্ৰণ কৰিবলৈ ওলাইছে। সেই কাৰণে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰৰ দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছো যে ভাৰতীয় সৈন্য বাহিনীৰ জৰিয়তে অসমৰ জনসাধাৰণক যাতে পুনৰবাৰ হত্যা কৰাৰ প্ৰস্তুতি হাতত নলয় তাৰ ব্যৱস্থা গ্ৰহণ কৰে সেই বিষয়ে চৰকাৰৰ পৰা জানিব বিচাৰিছো।

Shri Golok Rajbangshi (Minister) ; He is going to far. Sir, how you are allowing him.

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, আপুনি ইতিমধ্যে ৰুলিং দিছেই যে বক্তৃতা দীঘলীয়া কৰিব নালাগে। তথাপি মোৰ তিনি ঘণ্টামান কব লগা আছিল যদিও এঘণ্টামান কৈ শেষ কৰিম। আমি বাতৰি কাকতত পঢ়িবলৈ

* Speech not corrected.

পাইছো যে আলফাৰ লগত সোনকালে কথা পতা হব। অলপতে হৈ যোৱা সৰ্ব্বদলীয় সভাতো এটা সিদ্ধান্তলৈ আহি আলফাৰ লগত যোগাযোগ কৰি আলোচনাৰ মাজেৰে এটা সিদ্ধান্তলৈ আহিব লাগে বুলি মুখ্যমন্ত্ৰী মহোদয়ক পৰামৰ্শ দিয়া হৈছিল। কিন্তু সেই বিষয়ত মুখ্যমন্ত্ৰী মহোদয়ে আজিলৈকে আমাক কোনো স্পষ্টীকৰণ দিয়া নাই যে তেওঁলোকৰ লগত কিবা যোগাযোগ হৈছে নে নাই। যোৱা কালিও মই এটা কথা লক্ষ্য কৰিছো যে মুখ্যমন্ত্ৰীয়ে কিছুমান ভিতৰুৱা কথা সন্নিবিষ্ট কৰি বিবৃতি দিছে। কিন্তু আমাক এটা কথা স্পষ্টকৈ কব লাগে যে চৰকাৰে আলফাৰ লগত কিবা যোগাযোগ কৰিছে নেকি? এই সম্পৰ্কত চৰকাৰৰ স্থিতি কি সেই কথা ৰাইজক পোনপটীয়াকৈ জনায় দিয়া উচিত হব। এই সম্পৰ্কত সাংবাদিকে কৈছে যে আলফাৰ লগত চৰকাৰে প্ৰত্যক্ষ ভাবে যোগাযোগ কৰিব পৰা নাই। কিন্তু সেই কথাত মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে চৰকাৰে আলফাৰ লগত যোগাযোগ কৰিব পাৰিছে নে নাই সেইকথা সাংবাদিকক কোনে কলে? সেই কাৰণে অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে কোৱা কথাখিনিৰ কোন খিনি সত্য সেই কথাটো অসমৰ জনসাধাৰণক পোনপটীয়াকৈ জনায় দিয়া উচিত। আজি আলফাৰ বিষয়টো সাধাৰণ বিষয় হৈ থকা নাই। আমি আগত জনসাধাৰণ আৰু পিচত জনসাধাৰণ লৈহে ৰাজনীতি কৰিব লাগিব। সেইকাৰণে আপোনালোক কিছু সহিষ্ণু হওক। আপোনালোকে আজি যি কথাৰ কাৰণে আনন্দ কৰিছে তাৰ দ্বাৰা অসমৰ জনসাধাৰণক অসত্য কথা কবলৈ আৰম্ভ কৰিছে নেকি? সেই কাৰণে আলফাৰ লগত কেনে ধৰণে যোগা-যোগ কৰিছে মুখ্যমন্ত্ৰীয়ে আমাক কওক। এতিয়া যিহেতু অসম বিধান সভা চলি আছে গতিকে বিধায়ক সকলক চৰকাৰৰ সিদ্ধান্ত জানিবলৈ দিয়ক। নহলে চৰকাৰে এই বিষয়ত বিধান সভা চলি থকা অৱস্থাত কোনো গুৰুতৰ সিদ্ধান্ত লব নোৱাৰিব। আমি এটা কথা ভাবিবলৈ বাধ্য হৈছো যে চৰকাৰে ইতি-মধ্যে কিছুমান বিষয়ত ব্যৱস্থা গ্ৰহণ কৰিছে। বি, এছ, এফ, ক মাতি আনি তেওঁলোকৰ লগত কিবা গোপন আলোচনা কৰি তেওঁলোকক কিবা ইঙ্গিত দিয়াৰ পিচৰ পৰাই তেওঁলোকে অসমীয়া নীৰিহ মানুহৰ ওপৰত অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিছে। যোৱা ১৬ তাৰিখে হোৱা আলোচনাৰ পিচৰ পৰাই এনে অৱস্থা হোৱা আমি দেখিবলৈ পাইছো। এখন জনপ্ৰিয় চৰকাৰ চলি থকা অৱস্থাতো অসমীয়া মানুহৰ এনে অৱস্থা হোৱাটো দুৰ্ভাগ্যজনক। আন

এটা কথা হব পাৰে যে দিল্লীৰ কোনোবা মানুহে হয়তো তেওঁলোকক ৰেয়া পায় আৰু তাৰ ফলতে বি, এছ, এফ,ৰ অত্যাচাৰ চলায় তেওঁলোকৰ ওপৰত প্ৰতিশোধ লব বিচাৰিছে। কিন্তু তাৰ ফল অসমৰ মানুহে ভোগ কৰিব লগা হোৱাতো অতি দুৰ্ভাগ্যজনক।

এতিয়া আপোনালোকে কালি এটা প্ৰশ্ন আনিছে আৰু খাতৰি কাকততো পাইছো যে আপোনালোকে অসম গণপৰিষদৰ ওপৰত দোষাৰোপ কৰিব বিচাৰিছে কিন্তু বাতৰিৰ পৰা জনামতে কংগ্ৰেছ আইৰ ফালৰ পৰাই বিবৃতি দিছিল যে প্ৰয়োজন হলে আলফাৰ সাহায্য লোৱা হব। এতিয়া মুখ্যমন্ত্ৰী মহোদয়ে অসম গণপৰিষদ চৰকাৰক দোষাৰোপ কৰিবলৈ গৈ নিজে ও মানুহ হত্যা কৰিবলৈ উদ্যত হব নেকি? মাননীয় অধ্যক্ষ মহোদয়, অসম গণপৰিষদৰ দিনত দুজনৰ যদি মৃত্যু হৈছে আমাৰ দিনত ১০ জন হত্যা কৰিম সেইদৰে অ গ পৰ দিনত দুটা ৰেপ কেচ হলে কংগ্ৰেছ আইৰ দিনত ২০ টা হব লাগে এই মনোভাৱ লোৱা হৈছে নেকি? এই চৰকাৰৰ দিনত এমাহৰ ভিতৰতে ৬।৭ জনৰ মৃত্যু হৈছে শিৱসাগৰত এগৰাকী মহিলাক ৰেপ কৰিছে সেইদৰে কৰিমগঞ্জত ঘৈণী-য়েকক কৰিব নোৱাৰি গিৰিয়েক ঘৈণীয়েক দুয়োজনকে হত্যা কৰা হ'ল। গতিকে.... .... .... (হুলস্থুল পৰিবেশ) .... ....

Mr. Speaker: Please raise the Matter only because there one ample scope for discussion of this matter. Kindly raise the matter.

শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ প্ৰচুৰ ক্ষমতা আছে আনকি আপোনাৰ নিৰ্দেশত মেটাৰটো চাচপেন পৰ্যন্ত হব পাৰে কিন্তু ৰাইজৰ প্ৰতিনিধি হিচাবে আমাৰ গণতান্ত্ৰিক অধিকাৰ আছে আৰু সেইমতে আমাক কবলৈ দিব লাগে।

মাননীয় অধ্যক্ষ: মই আগতেও কৈছো যে আপোনালোকক বেছি সুবিধা দিম। There is ample scope. I will give you more chance than the Treasury Benches. But I cannot deviate frcm the Rule. In zero hour you are only to raise a matter.... .... .... .... .... আপোনালোকে জানে মই ট্ৰেজাৰী বেংকৰ সদস্য সকলক কবলৈ দিয়া নাই কিন্তু আপোনালোকৰ ফালৰ পৰা ১০।১২ জনক কবলৈ দিছো। মই আপোনালোককেই বেচি চান্স দিম কিন্তু সেইবুলি মই ৰুল দেভিয়েট কৰিব নোৱাৰো। জিৰো আওৱাৰচৰ সময়ত আপোনালোকে কেৱল ৰেইজ কৰিব পাৰে কিন্তু দীঘলীয়া বক্তিতা দিয়াৰ নিয়ম নাই। আপুনি ভালেই কৈছে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মাননীয় মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কেইগৰাকীয়ে বহু কথাই কৈছে কিন্তু জিৰো আওৱাৰচত ইমান ঘীঘল কৰাৰ প্ৰয়োজন নাই মাত্ৰ মেটাৰটো ৰেইজ কৰিব লাগে। এইটো মই জনাব বিচাৰো আলফাৰ লগত আমাৰ কোনো আলোচনা হোৱা নাই। বাতৰি কাকতত হয়তো ওলাব পাৰে কিন্তু মই স্পষ্টকৈ কব বিচাৰিছো আলোচনা আমি আলফাৰ লগত কৰা নাই। ২য়তে আন এজন মাননীয় সদস্যই কৈছে সেনাবাহিনী অনা কথা বা সেনাবাহিনীৰ মুৰব্বীৰ লগত আলোচনা কৰাৰ কথা কিন্তু প্ৰকৃততে সেইটো নহয়, তেওঁলোকে মাত্ৰ এটা কাৰচি ভিজিটহে দিছিল। সচৰাচৰ নিয়মানুযায়ী এইটো মাত্ৰ এটা কাৰচি কল আছিল। চিফ চেক্ৰেটাৰীৰ কথায়ো কোৱা হৈছে। এই বিষয়ত নানান কথা ওলাইছে সেই বিলাকৰ কোনো প্ৰশ্ন নুঠে কিয়নো এখন ৰাজ্যত যেতিয়া কোনো এখন ৰাজ্য চৰকাৰ থাকে তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে সেই ৰাজ্য চৰকাৰৰ পৰামৰ্শ নোলোৱাকৈ তেনে ধৰণে কাম কৰিব নোৱাৰে। গতিকে এইবিলাক অবান্তৰ কথা যিটো মই কব খোজা নাই।

Mr. Speaker : I have received two Zero Hour notices one from Honourable Member Shri Gohin Chandra Das and another from the Honourable Member, Shri Munin Mahanta on 1.8.91 on a news item published in Dainik Janambhumi dated 31.7.91 under the caption.

"নগাওঁ মৰিগাৱঁত তান্ত্ৰিক ৰোগত ৮০ জনৰ মৃত্যু"।

Now I call upon the Honourable Member Shri Das to speak.

* শ্ৰীগহীন চন্দ্ৰ দাস : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩১ জুলাই দৈনিক জনমভূমি বাতৰি কাকতত নগাওঁ মৰিগাৱঁত তান্ত্ৰিক ৰোগত ৮০ জন লোকৰ মৃত্যু হৈছে বুলি প্ৰকাশ পাইছে। যোৱা ১০ দিনৰ ভিতৰত নগাওঁ আৰু মৰি-গাওঁত পানীৰ পৰা উৎপত্তি হোৱা এই ৰোগত কমেও ৮০ জন লোকৰ মৃত্যু হৈছে বুলি প্ৰকাশ পাইছে। বানবিধ্বস্ত অঞ্চলত পানী শুকুৱাৰ পিচত এই বেমাৰত বহু লোক আক্ৰান্ত হৈছে। নগাৱৰ বিশেষকৈ ৰহা, চাংচকী ইত্যাদি

* Speech not corrected.

অঞ্চলত বানপানী হোৱা নাই, বিস্তৃন অঞ্চলত খৰাং বতৰ চলি আছে আৰু তাত আজি প্ৰায় এমাহ ধৰি এই ৰোগে যথেষ্ট সংখ্যক লোকক মৃত্যু ঘটাইছে আৰু এই বিষয়ে বাতৰি কাকতত প্ৰকাশো পাইছে। কিন্তু চৰকাৰৰ ফালৰ পৰা যি ধৰণে চিকিৎসা সেৱা আগবঢ়াব লাগিছিল সেই ধৰণে হোৱা নাই। এই আক্ৰান্ত হোৱা লোকসকলক চিকিৎসা সেৱা আগবঢ়াবলৈ ডাক্তৰ নাই। চিকিৎসাৰ অভাৱত ৩৭ জন মৃত্যুমুখত পৰিছে। মৰিগাৱত ইতিপূৰ্বে বানপানী হৈগৈছে আৰু এই বানপানীৰ ফলত গেলা-পচা দুৰ্গন্ধৰ উদ্ভৱ হৈছে ফলত এই গেলা-পচাৰ পৰা নানা ধৰণৰ বেমাৰৰ সৃষ্টি হৈছে। কন কন ল'ৰা-ছোৱালী মৃত্যু মুখত পৰিছে। গতিকে এই কথা মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এই বেমাৰৰ সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰা কেনে ব্যৱস্থা লৈছে আৰু বেমাৰত আক্ৰান্ত হোৱা লোক সকলৰ চিকিৎসাৰ ব্যৱস্থা কেনে ভাবে লব বিচাৰিছে সেই সংক্ৰান্তত জানিব বিচাৰিছো।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩১ জুলাই দৈনিক জনমভুমি বাতৰিকাকতত যি ৮০ জন লোকৰ মৃত্যু সংবাদ ওলাইছে সেই সম্পৰ্কত মই বাতৰি কাকতৰ বাতৰিটো পঢ়িবলৈ নাযাও কিন্তু প্ৰশ্ন হৈছে মৰিগাও জিলাত বানপানীৰ সময়ত যিবিলাক সাহায্য শিৱিৰ প্ৰতিষ্ঠা কৰা হৈছিল আৰু সেই শিবিৰত আশ্ৰয় লোৱা বিভিন্ন লোক বিশেষকৈ ল'ৰা ছোৱালীক বেমাৰৰ পৰা ৰক্ষা কৰিবলৈ ঔষধ-পাতিৰ কি ব্যৱস্থা কৰিছে বানপানী শুকুৱাৰ লগে লগে কতৃপক্ষৰ ফালৰ পৰা শৰণাৰ্থীসকলক শিবিৰ এৰি যাবলৈ বাধ্য কৰায় আৰু সেই বেমাৰত আক্ৰান্ত হোৱা শৰণাৰ্থীসকল গাৱলৈ ঘুৰি যোৱাৰ পাচত তেওঁ-লোকৰ চিকিৎসাৰ কাৰণে কিবা ব্যৱস্থা কৰিলে নে? ঔষধ পাতি যোগান দিয়াৰ ক্ষেত্ৰত জানিবলৈ পোৱা গৈছে যে তাত হেনো ঔষধ পাতিৰ ষ্টক নাই কাৰণ চিকিৎসা সেৱাৰ নামত যিবিলাক ঔষধপাতি ইত্যাদি আছে সেইবিলাক মৰিগাৱলৈ আহি নাপায়, নগাৱলৈ চিধা-চিধি গুচি যায়। মৰিগাৱত চিকিৎসা সেৱাৰ কাৰণে ঔষধ-পাতি ইত্যাদিৰ কাৰণে চিকিৎসালয় আৰু ডাক্তৰৰ সু-ব্যৱস্থা নথকাত ৰাইজে দুৰ্ভোগ ভুগিব লগীয়া হৈছে।

---

* Speech not corrected.

অধ্যক্ষ মহোদয়, এই বেমাৰত আক্ৰান্ত হোৱা লোকসকলৰ চিকিৎসা ব্যৱস্থা নাই। মৰিগাওঁত এতিয়ালৈকে এক্সপাৰ্ট ডাক্তৰ নাই। ভিতৰুৱা অঞ্চল বিলাকত চিকিৎসা সেৱা নাই। ডাক্তৰ নাই। এনেকুৱা হস্পিতেল আছে যত ডাক্তৰো নাই, কোম্পাউণ্ডৰো নাই। তুৰবন্ধা চিকিৎসালয়ত ডাক্তৰৰ গাড়ী নাই, যোৱা ছয় মাহে গাড়ী মেৰামতি কৰাৰ নামত সেই অঞ্চলত চিকিৎসা ব্যৱস্থা দিব পৰা নাই। সেই সময়ত ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী মহোদয়ে তাত কেম্প কৰি থাকি বহুত কাম কৰিছিল। মোবাইল মেডিকেল ইউনিট কাৰ্য্যকৰী কৰা নহল। ঔষধ-পাতি পিচত দিয়াৰ কথা কৈছে যদিও দিয়া হোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে মৰিগাওঁৰ যিবিলাক ঠাইত ডাক্তৰ, কোম্পাউণ্ডৰ ঔষধপাতি আদি নাই, সেই বিলাক সোনকালে দিয়াৰ ব্যৱস্থা কৰিবলৈ অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিলো।

Mr. Speaker : Honourable Health Minister will reply.

* শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাছা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই কলিং এটেনচনৰ উত্তৰ দিব খোজো যে নগাওঁ মৰিগাওঁত ৮০ জন লোকৰ মৃত্যু হোৱা নাই, তাত দুই জনৰ মৃত্যু হৈছে। মৰিগাওঁ নগাওঁত ৪৫ জনৰ মৃত্যু হৈছে যদিও বান পানীত নহয়। আমাৰ গভৰ্ণমেন্ট নথিপত্ৰ আছে, তাক মই পঢ়ি শুনাই দিছো—

(a) No. of deaths due to Castroenteritis from 29-4-91 to 29-7-91 in Nagaon District. —42

(b) No. of death due to Castroenteritis from 29-4-91 to 29-7-91 in Morigaon D:strict. —74

—!16

Out of which no. of Gastroenteritis death during current havoc of flood in Nagaon District (Dhing) -2

Out of which no. of Gastroenteritis death during current havoc of flood in Morigaon District- 43.

All possible preventive & curative measures have been taken. Mobile team have been deployed from the District

* Speech not corrected.

H.Q. to the affected area. Required drugs, disinfectant including O.R.S. have already been supplied. A Total no. of 10 (ten) Health Workers have been posted in affected area for medical relief. Two additional vehicles have been placed at the disposal of Chief Medical & Health Officer, Nagaon. Public Health Engineering Department have suppplied water sterilising kits for water disinfection..................

Mr. Speaker : The other Zero Hour Notices which I have received are from the Honourable Members Dr. Kamala Kalita.

Shri Jatin Mali, Shri Bharat Chandra Narah, Shri Dilip Kumar Saikia and 2 others, Shri Nagen Sarma, Shri Dilip Kr. Saikia, Shri Allauddin Sarkar. Shri Atul Bora. As per rule I can allow three notices.

শ্ৰীআলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। আপুনি কৈছে যে সকলো আলোচনা হব পাৰে। বানপানীৰ ক্ষেত্ৰত বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। যিবিলাকৰ নাম ঘোষণা কৰা হৈছে সেইবিলাকৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। যেহেতু ব্ৰহ্মপুত্ৰৰ পানীত দক্ষিণ শালমাৰা জাহ-যাব ধৰিছে এইবিষয়টো বান নিয়ন্ত্ৰণ মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব। বাতৰি কাকতত যিবিলাক নাম ওলাইছে সেইবিলাক ঘোষণা কৰিব লাগে।

মাননীয় অধ্যক্ষ : তেনে কোনো ব্যৱস্থা নাই। I will consider and examine.

শ্ৰীআলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, এইটো বান নিয়ন্ত্ৰণ মন্ত্ৰীয়ে কৰিব নোৱাৰে। বিধান সভা পৰিচালনা সমিতিয়ে চাবলৈ যাব আৰু এটা ৰিপোৰ্ট চাবমিট কৰিব লাগে।

## ADJOURNMENT MOTION

Mr. Speaker : I have received one Adjournment Motion under Rule 56(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly from Honourable Members, Shri Sashakamal Handique, Nizamuddin Khan, Shri Munin Mahanta, Shri Alauddin Sarkar and Shri Chandra Mohan Patowary. On admissibility, they can speak.

Shri Sashakamal Handique : Honourable Speaker Sir, under Rule 56(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, we may kindly be allowed to move the following matter of urgent public importance.

"The House be adjourned to discuss the result of last HSLC examination, 1991 declared on 10. 7. 91. যি বিষয়টো উংথাপন কৰিছো সেইৰিষয়টোৰ গুৰুত্ব অসীম। সমাজ মানৱ সম্পদৰ ওপৰতহে নিৰ্ভৰ কৰিহে চলে, সেয়ে মানৱ সম্পদৰ ওপৰত গুৰুত্ব অসীম। আমাৰ ভৱিষ্যত এই মানৱ সম্পদ ছাত্ৰ-ছাত্ৰী সকলৰ কি হব। এই বছৰ মেট্ৰিকৰ ৰিজাল্টত শতকৰা ৩০.০১ শতাংশহে পাছ কৰিছে। আৰু হাইমাদ্ৰাছাত শতকৰা ২৩.০০ শতাংশহে পাছ কৰিছে। দেখা গৈছে ১৯৮৯ চনত একলাখ পাচহেজাৰ একশ সোতৰ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৭৫৫৬ জন পাছ কৰিছে। ইয়াৰ মুল কাৰণ কি ? ইয়াৰ বাবে আমাৰ সমাজ ব্যৱস্থা দায়ী নে শিক্ষা ব্যৱস্থা দায়ী নে শিক্ষক সকল বা ছাত্ৰ-ছাত্ৰী সকল দায়ী ? মই ভাবো এইটো আটাইতকৈ গুৰুত্বপুৰ্ণ বিষয়। আন্দাৰ ৰুল ৫৭ মতে সদনৰ বৈথকত একেদিনাই অন্য প্ৰস্তাৱ থাকিব নালাগে। স্বাভাবিকেই ৰিষয়টো নিৰ্দ্দিষ্ট।

Rule 57(i) not more than one such motion shall be made at the same sitting স্বাভাৱিকতেই বিষয়টো নিৰ্দ্দিষ্টকৈ আলোচনা কৰিব পৰা যায়। আমি ১৯৯০ চনৰ হাইস্কুল পৰীক্ষাৰ ফলাফলৰ ওপৰত আলোচনা কৰিব বিচাৰিছো।

(ii) not more than one matter can be discussed on the same motion must be restricted to a specific matter of recent occurrence ;

(iii) the motion must not revive discussion on a matter which has been discussed in the same session ;

এই সম্পৰ্কে আলোচনা হোৱা নাই। অধ্যক্ষ মহোদয় এই ক্ষেত্ৰত মই ভাবো মোৰ মোচন সম্পৰ্কে সিদ্ধান্ত কৰিব পাৰে কোনো বাধা নাই।

(iv) the motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given, regard being had to the probability of the matter anticipated being brought before the House within a rea: sonable time ;

গতিকে মই ভাবো এই মোচনটো অনাৰ যথেষ্ট যুক্তি আছে।

58. Notice of an adjournment motion shall be given before the commencement of the sitting on the sitting on the day on which the motion is proposed to be made to each of the following :

(i) The Speaker

(ii) The Minister concerned and

(iii) The Secretary.

ইয়াত কৈছে, এই ক্ষেত্ৰত শিক্ষামন্ত্ৰীক 'নটিচ' দিছো আৰু আমাৰ সচিবকো নটিচ দাখিল কৰিছো। গতিকে আমাৰ সভা স্থগীত প্ৰস্তাৱটো গ্ৰহণ কৰিব বুলি আশা কৰিলো।

* শ্ৰীনিজামুদ্দিন খান : অধ্যক্ষ মহোদয়, আমাৰ আজি সভা স্থগীত প্ৰস্তাৱ সম্পৰ্কে হাইস্কুল শিক্ষাৰ ফলাফলৰ ওপৰত যি প্ৰস্তাৱ উত্থাপন কৰা হৈছে তাৰ ওপৰত কওঁ যে আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰী সকলৰ পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ কাৰণ কি ? এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ ক্ৰটি

* Speech not corrected.

আছে নতুৰা শিক্ষা ব্যৱস্থাৰ ত্ৰুটি আছে। শিক্ষা পদ্ধতিত নিশ্চয় কৰবাত কেৰোণ আছে। গতিকে এই প্ৰস্তাৱটো গ্ৰহণ কৰি আলোচনাৰ কাৰণে সকলোৱে সহযোগ কৰিব বুলি আশা কৰিলো।

* শ্ৰীমুনিন মহন্ত: অধ্যক্ষ মহোদয়, সভাস্থগীত প্ৰস্তাৱটোত উত্থাপন কৰা হৈছে। এই ক্ষেত্ৰত দেখা যায় যে শিক্ষা ব্যৱস্থা আজি যি অপচয়, ছাত্ৰ-ছাত্ৰীৰ যি সমস্যা তাৰ ফলত প্ৰতি বছৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী অকৃতকাৰ্য্য হৈছে। যিবিলাক অকৃতকাৰ্য্য ছাত্ৰ-ছাত্ৰী তেওঁবিলাকৰ ভৱিষ্যত সম্পৰ্কে কি হব পাৰে! এই সকলো সমস্যাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি সভাস্থগীত প্ৰস্তাৱটো গ্ৰহণ কৰি আলোচনা কৰিব বুলি আশা কৰিলো।

* Shri Dewan Jainal Abedin : I would like to speak a few words on the admissibility of the adjournment motion moved by Shri Handique.

Mr. Speaker : You will get preference afterwards.

* শ্ৰীআলাউদ্দিন চৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই যি সভাস্থগীত প্ৰস্তাৱ আনিছে সেইটো সদনে নিজেই উপলব্ধি কৰিছে। আমাৰ দেশখন স্বাধীন হোৱাৰ পিচত যি শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ ওপৰত নিৰ্ভৰ কৰিব পৰা নাযায়। আমি জনা মতে সেই শিক্ষা ব্যৱস্থাৰ গোটেই নীতি নিয়ম পালন কৰা হোৱা নাই। এই বিষয়ে চালি-জাৰি চাব লাগে। শিক্ষাৰ বিষয়ত যি সভা স্থগীত প্ৰস্তাৱ আনিছে তাক খৰচি মাৰি আলোচনা কৰাৰ প্ৰয়োজন আছে। শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত যি অপচয় হৈছে তাক আতৰাব লাগে। আমাৰ ৰাজ্য চৰকাৰে শিক্ষা নীতিৰ ক্ষেত্ৰত কোনো নতুন নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। গতিকে শিক্ষা নীতিৰ কথাটো খৰচি মাৰি আলোচনা কৰিবৰ বাবে সদনে সুযোগ দিব লাগে।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীসন্দিকৈ ডাঙৰীয়াই যি সভা স্থগীত প্ৰস্তাৱ আনিছে সেইটো ভৱিষ্যতৰ কথা চিন্তা কৰি গ্ৰহণ কৰা ভাল হব। এই কাৰণে ভাল হব যে মেট্ৰিক

* Speech not corrected.

পৰীক্ষাৰ ফলাফলৰ ওপৰতে নিৰ্ভৰ কৰি উচ্ছ শিক্ষাৰ ফলাফলো নিৰ্ভৰ কৰিব। যোৱা মেট্ৰিক পৰীক্ষাত ২৩ শতাংশ পাছ কৰিছে। এনে ধৰণেৰে পাছ কৰিলে অহা বাবলৈ ফল আৰু বেয়া হব। এটা সময়ত দেখিব ভয়ানক হতাশাৰ সৃষ্টি হব। আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটো কৰ্ম্মমুখী শিক্ষা ব্যৱস্থা নহয়।

গতিকে মই কব বিচাৰিছো যে যদি শিক্ষা ব্যৱস্থা আগবাঢ়ি থাকিলে হেঁতেন তেন্তে হাইস্কুল শিক্ষা শেষ কৰাৰ পিছত স্কুলৰ লৰা-ছোৱালীয়ে কিছুমান উদ্যোগ খণ্ডত কৃষি খণ্ডত শিক্ষা লোৱাৰ সুবিধা থাকিলেহেতেন মেট্ৰিক ফেইল কৰাৰ পিছত নিজৰ ৰুচি অনুযায়ী যাব পাৰিলেহেতেন। কৰ্মমুখী শিক্ষা ব্যৱস্থা নহয়, ই চাকৰি মুখী শিক্ষা ব্যৱস্থা কাৰণে শতকৰা ২৩ ভাগে পাচ কৰিছে আৰু বাকীখিনি হতাশ হৈছে। এই দৰে চলি থাকিলে সমাজখনত সময়ত দেখিব ভয়ানক হতাশাৰ সৃষ্টি হব। এই কাৰণে সভা স্থগীত প্ৰস্তাৱটো গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনাইছো। মই শাসক দলত থাকোতেও শিক্ষা ব্যৱস্থাক চোকা ভাষাৰে সমালোচনা কৰি এই সদনত বক্তব্য ৰাখিছিলো। গতিকে এই সভা স্থগীত প্ৰস্তাৱটোৰ গ্ৰহণ যোগ্যতা আছে ৰুল ৫৭ মতে। এই প্ৰস্তাৱটো ইয়াত গ্ৰহণ কৰা ভাল। মই মাত্ৰ এটা কথা কম। শিক্ষা ব্যৱস্থাৰ কেৰোণ কত আছে সেই কথাটো নিশ্চয় অনুভৱ কৰিব। প্ৰাইমাৰী স্কুলৰ ২য় নে ৩য়মান শ্ৰেণীৰ এখন প্ৰশ্নত তুখন মহাসাগৰৰ নাম লিখাৰ কথা আছিল। সেই স্কুলত তিনিজন মাষ্টৰ আছে। লৰাই মাষ্টৰক কৰ মহাসাগৰৰ কথা লিখা কৈছে বুলি সোধাত মাষ্টৰে কলে প্ৰশ্নটো ভুল আছে। তেতিয়া ছাত্ৰই হেড মাষ্টৰক সুধিলে কিয় ভুল প্ৰশ্ন কাটিছে। ইয়াৰ পৰাই বুজিব পাৰিছে শিক্ষা ব্যৱস্থাৰ কেৰোণ কত আছে আৰু কোনফালে থাপিত হৈছে। অকল ইউনিফৰ্ম আৰু খাদ্য দিলে সমস্যা সমাধান নহয়। এই কথাটোৰ লগত আৰু এটা কৰ বিচাৰিছো যে কুঁহিপাঠ বোলা এখন সহজ কিতাপ আছে। এই কুঁহিপাঠৰ নোট আছে। গতিকে সভাস্থগীত প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে। কিয়নো ইয়াৰ লগত ভৱিষ্যত জড়িত আছে। এই বিষয়টো আলোচনা কৰিলে জনসাধাৰণ উপকৃত হব বুলি গণ্য কৰি আলোচনা কৰিব দিব লাগে।

Shri Giasuddin Ahmed : Sir, in support of the admissibility of the motion I should say that this is a definite

matter of public importance and I hope you will agree that this is a definite matter or urgent public importance. Is not it Sir ? There is no denying of it and I do not like to elaborate my point. Honourable Speaker Sir, you will agree that this is a definite matter which cannot be ignored. Secondly Sir, it need not be argued that this is a matter of urgent public importance because this concerns the very backbone of the nation, the future of the students. So, this motion should be admitted and there should be a thorough discussion on the problem, a serious problem that we face today.

Shri Dewan Joynal Abedin : Honourable Speaker Sir, this adjournment motion on the results of the H. S. L. C. examination should be admitted because this is a definite matter of urgent public importance. Because Sir, this concerns the future of our young generation. Sir, I am a teacher by profession and as such, I have been noticing with a sense of concern and anguish that with every passing year the standard of the students is gradually deteriorating and I have been noticing this for the last 22 years as a teacher in the college. What is the reason ? There must be something wrong somewhere and we have to find it out. Who is to find it out. Here we are sitting in this August House. We frame policies. We look after the implementation of the polices and education is a very important matter, Sir, Here in this brief session of the House we do not have adequate time to discuss anything relating particularly, to education, in detail. That is why I feel that the scope has come utilising which your honour

may allow the House, Members of the House, to participate in the discussion. Because Sub-Rule 2 of Rule 56 entirely puts it under your jurisdiction, and that is why, Sir, you may allow the motion. Sir, I do not like to consume the valuable time of the House I humbly reiterate that it fulfills all the conditions of Rule 57 and all the Sub-Rules because it is a definite matter on which a resultion can be moved. It is a matter which is primarily the concern of the State Government as it concerns education. It is a matter which does not fall under any adjudication or which is not subjidice. Therefore, Sir, I beg to submit that this motion fulfills all the Rules and Sub-Rules of 56 and 57. Therefore, I beg to humbly submit that this motion may be admitted.

*শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই উৎথাপন কৰা সভাস্থগিত প্ৰস্তাৱৰ গ্ৰহণযোগ্যতাৰ ওপৰত মই কওঁ। আপুনি জানে সদনৰ সদস্যসকল অসমৰ ছাত্ৰ-ছাত্ৰীৰ সমস্যাক লৈ চিন্তিত। মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যুৱক-যুৱতীসকল বিক্ষোব্ধ অসন্তুষ্ট হৈছে। ৰাজ্যপালৰ ভাষণতো এই কথা উল্লেখ আছে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলত যি অৱস্থা হৈছে সেইটো ছাত্ৰ-ছাত্ৰীৰ পৰিপন্থী। এই বিষয়টো আলোচনা কৰিব পাৰিলে যুৱক-যুৱতীৰ সমস্যা, আলফাৰ সমস্যা সমাধানৰ পথ দেখা পাম। যিটো বিষয় অনা হৈছে ই সদনৰ নিয়ম নীতিৰ বিৰোধী নহয়। গতিকে অনুৰোধ জনাইছো এই বিষয়টো গ্ৰহণ কৰিব লাগে।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত আমাৰো কবলগীয়া আছে। মাননীয় অধ্যক্ষ— ইতিমধ্যে ৭ জন সদস্যই কৈ গৈছে। এই ৭ জন সদস্যই যিখিনি কৈছে সেই খিনিয়ে যথেষ্ট হব বুলি ভাবিছো। I think it is more than sufficient. I think, it covers every thing.

---

Speech not correctrd.

শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, শিক্ষানীতিৰ ওপৰত যি সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছে আমি আমাৰ নতুন অ গ প দলৰ পৰা সমৰ্থন জনাইছো। কাৰণ আমাৰ দেশৰ ভৱিষ্যত বংশধৰ সকলৰ কাৰণে যদি আমিয়েই চিন্তা নকৰো তেনেহলে সেই সকলৰ কাৰণে কোনে চিন্তা কৰিব? আজিৰ যিটো শিক্ষা ব্যৱস্থা সেইটো কোন দিশে গৈছে সেইটো কথা চাবলগীয়া হৈছে। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয়ৰ শিক্ষালৈকে যিটো শিক্ষাৰ গতি সেই গতি ব্যাহত হৈছে। পৰীক্ষা কেতিয়া পাতিব লাগিব, পৰীক্ষাৰ ফলাফল কেতিয়া ঘোষণা কৰিব লাগিব সেই কথা আজি ছাত্ৰ-ছাত্ৰীসকলৰ কণ্ট্ৰলত, বিশ্ববিদ্যালয় প্ৰশাসনৰ ওপৰত নাই। এই সম্পৰ্কত মাননীয় সদস্য শ্ৰীপাটোৱাৰী ডাঙৰীয়াই এটা ভাল উদাহৰণ দি গৈছে। যোৰাবাৰ ইংজিন লৰাই প্ৰথম হৈ পাচ কৰিলে তেওঁ অংকত পাইছে শতকৰা ৯৮ নম্বৰ। কিন্তু এই নম্বৰ সৰ্বভাৰতীয় নম্বৰৰ তুলনাত মাত্ৰ ১৫ ৰ হে। পৃথিবীত এনে কোনো শিক্ষা আয়োগ নাই যি আয়োগে মাতৃ ভাষাৰ পৰিৱৰ্তে কোনো আন্তঃৰাষ্ট্ৰীয় ভাষাত শিক্ষা দিব লাগে বুলি কৈছে। গতিকেই এই সকলোবিলাক কথা চিন্তা কৰি মাননীয় সদস্যসকলে সভা স্থগিত প্ৰস্তাৱটোৰ কথা চিন্তা কৰিব লাগে। অসমত মাতৃ ভাষাৰ পৰিৱৰ্তে আন্তৰাষ্ট্ৰিয় ভাষাৰ প্ৰৱণতা ইমান কিয় বাঢ়ি গৈছে আমি কব নোৱাৰো।

মাননীয় অধ্যক্ষ : আপুনি এডমিচিবিলিটিৰ ওপৰত কওক।

শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, গতিকেই মই অনুৰোধ কৰো যেন এই প্ৰস্তাৱটোৰ ওপৰত আলোচনা কৰিবলৈ সুযোগ দিয়া হওঁক।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এই সভাস্থগিত প্ৰস্তাবটোৰ এডমিচিবিলিটিৰ ওপৰত মই আবদ্ধ থাকি কব বিচাৰিছো যে প্ৰথমতে এই প্ৰস্তাবটো সুনিৰ্দিষ্ট হয়নে নহয়? গুৰুত্বপূৰ্ণ আৰু ৰাজহুৱা স্বাৰ্থ ইয়াত জৰিত আছেনে নাই? আৰু অতি জৰুৰী হয়নে নহয়? আমি এইকেইটা কথা বিচাৰ কৰি চাবলৈ গলে দেখিবলৈ পাও যে এই সভা স্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰাত কোনো আপত্তি থাকিব নালাগে। ইয়াৰ আগতেওঁ এবাৰ খাদ্যপানীৰ ওপৰত হোৱা এটা সভা স্থগিত প্ৰস্তাবৰ ওপৰত আলোচনা কৰিবলৈ দিয়া হৈছিল। কাৰণ এই বিষয়টোও অসমবাসীৰ লগত জৰিত গুৰুত্বপূৰ্ণ বিষয়। গতিকেই এই

ৰিষয়টোৰ ওপৰত আলোচনা কৰাৰ প্ৰয়োজন আছে। যিবিলাক লৰাই ফেইল কৰিছে সেইবিলাক লৰাই কিয় ফেইল কৰিছে। সেই ফেইল কৰা লৰা বিলাকৰ ভৱিষ্যত কি হব? ঘৰতো মাক বাপেকৰ গালি গালাজ খাই থাকিব লাগিব। টিউচনৰ সম্পৰ্কত আলফাই যিটো মন্তব্য দিছে ফেইল কৰাৰ সম্পৰ্কত কি হব? কিছুমানে হয়তো কিছুমান সংগঠনত যোগ দিব পাৰে। সেইবিলাকৰ ভৱিষ্যত কি হব। গতিকে এই বিষয়টোত বিশেষভাৱে আৰজেন্সি আছে। ৰিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু সুনিৰ্দিষ্ট। গতিকেই এই বিষয়টোৰ ওপৰত আজিৰ অন্য কাম বাদ দি আলোচনা কৰিবলৈ দিব লাগে। আজি চৰকাৰে প্ৰাথমিক স্কুল বা হাইস্কুল বিলাক প্ৰাদেশিকৰন কৰাৰ কথা হৈছে। নবোদয় কৰাৰ কথা হৈছে। যদি ল'ৰা-ছোৱালী ৰিলাকক কাৰিকৰী শিক্ষা দিয়া নহয় তেনেহলে আপোনালোকে যিবিলাক নিযুক্তি দিয়াৰ কথা কৈছে সেইবিলাক কেনেকৈ নিযুক্তি দিব? গতিকে গোটেই কথাবিলাক আলোচনা কৰাৰ প্ৰয়োজন আছে। গতিকেই মই ভাবো যে এই প্ৰস্তাৱটো আলোচনা কৰাৰ কাৰণে যিকেইটা অৱস্থাৰ প্ৰয়োজন যেনে সুনিৰ্দিষ্ট জৰুৰী, ৰাজহুৱা স্বাৰ্থ জৰিত এই আটাইকেইটা অৱস্থাকে পৰিপূৰ্ণ কৰিছে। গতিকে এই সভা স্থগিত প্ৰস্তাৱটো আলোচনাৰ বাবে গ্ৰহণ কৰিব লাগে।

Mr. Speaker : Honourable Member Shri Ragibi, you can speak only three minutes.

শ্ৰীআবদুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষা ব্যৱস্থাত থকা ত্ৰুটী ৰিচ্ছুটি বিলাক আলোচনা কৰাৰ কাৰণে সভাস্থগিত প্ৰস্তাৱ দাঙি ধৰা হৈছে। সদনৰ সকলো সদস্যই এইটো কথা মানি লব আৰু স্বীকাৰ কৰিব যে আমাৰ চৰকাৰে শিক্ষাৰ সম্পৰ্কত কি আচনি লব সেই ৰিষয়ে চিন্তা চৰ্চা কৰি আছে। এতিয়া শিক্ষাৰ সম্পৰ্কত যিটো বিষয় উত্‌ভৱ হৈছে সেইটো অ গ প চৰকাৰে লোৱা শিক্ষা নীতিৰ ফলত উদ্ভৱ হোৱা ৰিষয়। আমাৰ চৰকাৰে লোৱা নীতিৰ ত্ৰুটী ৰিচ্ছুটিৰ ওপৰত যদি আপোনালোকে আলোচনা বিলোচনা কৰিলেহেতেন তেনেহলে কিবা লাভ হলহেঁতেন কিন্তু আজি আলোচনা কৰিবলৈ ওলাইছে আগৰ চৰকাৰে লোৱা আচনিৰ ত্ৰুটী বিচ্ছুটিৰ ওপৰত ইয়াৰ দ্বাৰা কিবা লাভ হব বুলি নাভাবো। কাৰণ আগৰ চৰকাৰে কিতাপ ৰিতৰণ কৰাৰ যি নীতি লৈছিল সেই মতে ৰিতৰণ কৰা নহল, কিতাপ ৰিতৰণত

খেলি-মেলি হল, প্ৰকাশত অযথা পলম কৰা হল, লৰা ছোৱালিয়ে কিতাপ পাওতে ৭।৮ মাহ পাৰ হৈ যায়। গতিকে ৩।৪ মাহ পঢ়ি লৰা ছোৱালীয়ে কি পৰীক্ষা দিব সেইটো সকলোৱেই সহজে ভাৱিব পাৰে। গতিকে বৰ্ত্তমান যি চৰকাৰ আছে সেই চৰকাৰে শিক্ষা সম্পৰ্কত নীতি গ্ৰহণ কৰিবলৈ দিয়ক। তেতিয়া যদি কিবা ক্ৰটী বিচ্ছুটি ওলাই তেনেহলে ৰেইবিলাক আলোচনা কৰি পৰামৰ্শ আগবঢ়ালেহে ভাল হব। এতিয়া যদি সভাস্থগিত প্ৰস্তাৱ গ্ৰহণ কৰি আলোচন কৰিবলৈ দিয়া হয় আগৰ চৰকাৰৰ নীতিকহে আলোচনা কৰা হব।

Mr. Speaker : Now Honourable Minister for parliamentary affairs is to reply.

* শ্ৰীগোলক ৰাজবংশী : (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো হৈছে যোৱা ১০/৭/৯১ তাৰিখত প্ৰকাশ হোৱা মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট সম্পৰ্কত। এই পৰীক্ষাত শতকৰা উত্তীৰ্ণৰ হাৰ বৰ বেয়া হৈছে। এইটো বৰ গুৰুত্বপূৰ্ণ ৰিষয়। ইমান লৰা ছোৱালী ফেইল হৈছে। গতিকে বিষয়টো অতি গুৰুত্বপূৰ্ণ। অধ্যক্ষ মহোদয়, প্ৰস্তাৱকে নিজে নিজে কৈছে যে, বছৰে বছৰে আমি এনেকুৱা ৰিজাল্ট দেখি থাকিলে আমাৰ লৰা ছোৱালী ৰিলাকৰ ভবিষ্যত কি হব সন্দেহ আছে। প্ৰস্তাৱক প্ৰায় কেইজনে একে কথাকে কৈছে। অধ্যক্ষ মহোদয়, এই বিষয়টো আলোচনা কৰাৰ বাবে বিধানসভাত বহুতো ব্যৱস্থা আছে। প্ৰস্তাবৰ ওপৰত, বাজেটৰ ওপৰত, ৰাজ্যপালৰ ভাষণৰ ওপৰত আধাঘণ্টা আলো- কৰিব পাৰি। গতিকে এইটো সভাস্থগিত প্ৰস্তাৱৰ গণ্ডীৰ ভিতৰলৈ নানাকৈও আমি আলোচনা কৰিব পাৰো। এই প্ৰস্তাৱটো হৈছে ৰিজাল্ট সম্পৰ্কে।

Sir, Rule 56 (1) a motion for an adjournmeut of the business of the Assembly for the purpose of discussing a definite matter of urgent public importance may be made with the consent of the Speaker. It says, it is not only important but 'urgent'. A matter of of urgent nature that does not come under the purview of the adjournment Motion. It is proved that it should not be discussed in the House.

* Speech not corrected.

গতিকে গুৰুত্বপূৰ্ণ বিষটো জৰুৰী হব লাগিব। এই বিষয়টো যে জৰুৰী নহয় অধ্যক্ষ মহোদয়, মই তাৰ এটা উদাহৰণ দিছো। এই মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট ১০/৭/৯১ তাৰিখেই আউট হৈছে। বিধান সভা আৰম্ভ হৈছে ২৯ তাৰিখে, আজি কি তাৰিখ? এই বিষয়টো ৫ দিনত তেখেত সবলে জৰুৰী বুলি নাভাবিলে, আজি ভাবিছে আৰু প্ৰস্তাৱটো আজি আহিছে। ২৯,৩০,৩১ আৰু ১ তাৰিখে প্ৰস্তাৱটো নাহিল, তাৰমানে প্ৰস্তাৱটো জৰুৰী নহয় যে সেইটো বুজাই দিছে সেই কাৰণে— it is proved that it should not be discussed in the House.

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, এইটো এটা জৰুৰী প্ৰস্তাৱ। অষ্টম বিধানসভাত অধ্যক্ষ মহোদয়ৰ যি ৰুলিং আছিল সেইটো চালে ভাল হয়। এই প্ৰস্তাৱটো ২/৮/৫ দিনৰ পিচত অহা কথা নহয়। বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় গতিকে গুৰুত্বটো বিবেচনা কৰিব লাগে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে এটা ভুল কথা কৈছে যে এইবিষয়টো আধা ঘণ্টাৰ আলোচনাত আনিব পাৰে। কিন্তু ৰুল ৪৯ৰ মতে এইটো ষ্টাৰ্ড কোৱেশ্যন হলেহে আনিব পাৰে। এই বিষয়টোত অসমৰ সমগ্ৰ ৰাইজ জৰিত আছে আৰু এটা সুনিৰ্দিষ্ট বিষয় লগতে অতি গুৰুত্বপুৰ্ণ বিষয়। কাৰণ ফেইল কৰা লৰা ছোৱালী বিলাকে কি কৰিব, কলৈ যাব, চাকৰি নাপায়, আলফা হবনেকি? আলফাৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ। গতিকে মই অনুৰোধ কৰিছো যে সকলো দলৰ সদস্য সকলে এইটো প্ৰেছটিজ ইছু হিচাবে নলৈ এই বিষয়টো আলোচনা কৰিব লাগে। যদি আমি ভুল কৰিছো তেনেহলে সেই ভুলটো আলোচনা হওক যদি আমি ভাল পৰামৰ্শ দিও সেইটো গ্ৰহণ কৰাত আপোনালোকৰ কি অসুবিধা আছে? গতিকে আগৰ ৰুলিংৰ লগত এইটো ৰিজাৰ্য চাই সভাস্থগিত প্ৰস্তাৱটো আলোচনা কৰাৰ বাবে সুবিধা দিবলৈ অনুৰোধ জনালো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়ে, ৰুল ৫৭ত বিষয়টো আলোচনা কৰাৰ বাবে সম্পূৰ্ণ কতৃত্ব দিছে। ৰুল ৫৭ৰ চাব ৰুলে এই বিষয়টোৰ লগত সম্পূৰ্ণ সহায় কৰিছে। বিষয়টোৰ লগত অসমৰ প্ৰতিজন মানুহ জৰিত আছে। যোৱা ২৯ তাৰিখে মানুহ মাৰিছে সেই বিষয়টো আমি লগে লগে সদনত উংথাপন কৰিছো এতিয়া জীয়াই থকা মানুহ বিলাকক শিক্ষিত কৰাৰ

* Speech not corrected.

কাৰণে এই প্ৰস্তাৱটো ২য় পৰ্য্যায়ত আহিছে। গতিকে এইটো এদজৰমেণ্ট মোচন হিচাবে আলোচনা কৰিবলৈ দিব লাগে। আগৰ চৰকাৰৰ যদি পলিচিত ভুল আছিল তেনেহলে এই চৰকাৰে কি পলিচি লৈছে সেইবিলাক আলোচনা কৰিব লাগে। গতিকে বিষয়টো গুৰুত্ব উপলব্ধি কৰি মানি ললে ভাল হয়।

Mr. Speaker : On this Adjournment Motion, I reserve my ruling. Honourable members, I have received two notices for privilege motion, one from Shri Haliram Terang and the other from Shri Zoii Nath Sarma, and I have given my consent on it under Rule 58. Now, there is an announcement. "As per the request of six Honourable Members of the House, we have decided to send a group of our Honourable members to visit Dipila and Gavara near Mangaldoi in the district of Darrang on 7th August next.

In this connection, I request the Leaders of different political parties/groups of our House to send his or the name of one of his nominees to the Secretary, Assam Legislative Assemaly today before 5.00 p. m.

For further informatioh in this regard, the Secretary, Assam Legislative Assembly may kindly be contacted".

* Shri Haliram : Sir, I want to mention that before the House Committee gces to Dipila and Gavara, the officers, part:cularly the administrative officers from that place should be transferred elsewhere. (A large number of members from all corners of the House supported it by saying 'Yes').

* শ্ৰীঅতুল বৰা : অধ্যক্ষ মহোদয়, এই তদন্ত কমিটি ৭ তাৰিখে যাব বুলি কৈছে। মই ভাবো ৭ তাৰিখে নগৈ যদি সদন কমিটি শনি আৰু ৰবিবাৰে

* Speech not corrected

গৈ বিপোৰ্টটো সোমবাৰে সদনত প্লেচ কৰে ভাল হয়। শনি আৰু ৰবিবাৰে সদন বন্ধ আছে।

মাননীয় অধ্যক্ষ: এই সম্পৰ্কত মই সকলো কেইজন সদস্যৰ লগতে আলোচনা কৰিলো মাননীয় সদস্য প্ৰমোদ গগৈ দেৱে ৭ তাৰিখে যোৱাটো ভাল হব বুলি কৈছে। তেখেত ৮ তাৰিখে দিল্লীলৈ যাব। অন্যান্য সদস্য সকলেও মতামত দিছে। গতিকে সন্মতি সাপেক্ষে কৰা ভাল হব।

* শ্ৰীঅতুল বৰা: অধ্যক্ষ মহোদয়, শনি আৰু ৰবিবাৰে গলে তেখেত সকলে আপত্তি নকৰিবনেকি? তেতিয়া আমি সোমবাৰে জানিব পাৰিম। আৰু তেতিয়া সমস্যাতো জটিল হৈ গৈ নাথাকে। কাৰণ এই ঘটনাই বেয়া ৰূপ লব পাৰে বুলি আমি ভাবিছো।

মাননীয় অধ্যক্ষ: ৭ তাৰিখে যাব বুলি এনাউন্স কৰা হল গতিকে আগতে যোৱা সম্ভৱ নহব।

## CALL ATENTION

Mr. Speaker: Now, I pass on to item No. 2. Honourable Member, Shri Sashakamal Handique to call the attention of the Minister, Industries under Rule 54.

শ্ৰীশশকমল হান্দিকৈ: মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯১ চনৰ ২৪ জুলাই তাৰিখৰ 'বুধবাৰ' কাকতত প্ৰকাশিত 'এশ পোন্ধৰ কোটি টকাত আসাম কোম্পানী বিক্ৰী: নেপথ্যৰ নায়ক কোন?' শীৰ্ষক বাতৰিটোৰ প্ৰতি উদ্যোগ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয় এই চাহ কোম্পানীটো ১৫০ বছৰৰ আগতে গঠিত হৈছিল। অসমৰ মানুহৰ এই কোম্পানীটোৰ লগত এক আবেগিক সম্পৰ্ক আছে। কিন্তু দেখা গ'ল এই কোম্পানীটো হঠাতে বিক্ৰী কৰি দিয়া হ'ল, অন্য মালিকৰ হাতত গতাই দিয়া হ'ল। এই চাহ কোম্পানীটোৰ মূল মালিক আছিল বৃটিছ মাল্টি

* Speech not corrected.

নেশনেল কোম্পানী নাম হৈছে— "ইনস্কেপ"। এতিয়া এই কোম্পানীটো ইউ-গেণ্ডাৰ মহেন্দ্ৰ মেহতা নামৰ এজন লোকে ১১৫ কোটি টকাত কিনি ললে। এই কোম্পানীয়ে হেজাৰ হেজাৰ বিঘা মাটিত চাহ খেতি কৰিছে। ইয়াৰ লগত আমাৰ ৰাজ্যৰ কেইবাহাজাৰো শ্ৰমিক কৰ্মচাৰীয়ে নিজৰ জীৱিকা নিৰ্বাহ কৰি আছে। অসম চৰকাৰৰ অজ্ঞাতে কেনেকৈ বিদেশী মালিকে এই কোম্পানী কিনিবলৈ পালে? আসাম টি কৰ্পোৰেচনে এই কোম্পানীটো কিনা হলে ভাল হলহেঁতেন। আনহাতে এই কোম্পানীৰ দাম বজাৰত মূল্যত ৯০ কোটি টকা। কিন্তু শ্ৰীমেহতাই এই কোম্পানী কিনিছে ১১৫ কোটি টকাত। এই গৰাকী মালিকৰ সম্পৰ্কে ভাৰত বৰ্ষত নানা অপবাদ আছে। এই মহেন্দ্ৰ মেহতাই ভাৰতত দুটা উদ্যোগিক প্ৰতিষ্ঠান স্থাপন কৰিছিল এটা গুজৰাট চিমেণ্ট কৰ্পোৰেচন আৰু আনটো সৌৰাষ্ট্ৰ কেমিকেলচ। এই দুয়োটা লোকচান ভগা উদ্যোগত তেওঁ ৩০ কোটি আৰু ১০ কোটি টকাৰ অভাৱত বন্ধ হৰ লগা অবস্থাত। গতিকে সেই একেজন মালিক মহেন্দ্ৰ মেহতাই ১১৫ কোটি টকাত অৰ্থাৎ বজাৰৰ দামত কিনা কোম্পানীটো কেনেকৈ ২৫ কোটি অধিক দামত পৰিচালনা কৰিব পাৰিব? গতিকে এই সম্পৰ্কত আমাৰ সন্দেহ যে কোনোবা অশুভ চক্ৰই মহেন্দ্ৰ মেহটাৰ নামত বেমানী ভাবে কোম্পানীটো হস্তান্তৰ কৰিছে। ইয়াৰ দ্বাৰা অসমৰ ৰাইজক অসম চৰকাৰক প্ৰতাৰণা কৰা হৈছে। এই লেনদেন সম্পৰ্কে অসম চৰকাৰে জানেনে? যদি জানে তেনেহলে এই কোম্পানী হস্তান্তৰ হ'ল কেনেকৈ? গতিকে এইটো অবৈধ লেন-দেন বুলি চৰকাৰে ঘোষণা কৰিব লাগে আৰু মালিকী স্বত্ব অসম চৰকাৰে গ্ৰহণ কৰিব লাগে। উদ্যোগ নীতি সম্পৰ্কত আমাৰ চৰকাৰে বহুতো উদ্যোগ স্থাপন কৰাৰ কথা কৈছে। এল, আই, চি, বা অন্যান্য বেংকৰ পৰা ঋণ লৈ হলেও অসম চৰকাৰে এই বাগিছা কোম্পানীটো কিনিব লাগে। যিহেতু এই কোম্পানীৰ লগত অসমৰ ৰাইজৰ হাজাৰ হাজাৰ চাহ শ্ৰমিকৰ এক আবেগিক জীৱন জীৱিকাৰ সম্পৰ্ক আছে। মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে তেখেতক কব লাগে যে এই কোম্পানী হস্তান্তৰত অসম চৰকাৰে হস্তক্ষেপ কৰিৰনে নকৰে, বাতিল কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰক যোগাযোগ কৰি যত্ন কৰিবনে নকৰে। এই সন্দেহযুক্ত মহেন্দ্ৰ মেহতাৰ পৰা এইটো ঘুৰাই লোৱাৰ ব্যৱস্থা কৰিৰনে নকৰে? বিদেশী চাহ কোম্পানীয়ে আজি অসমৰ ৰাজনৈতিক অৱস্থাক হস্তক্ষেপ কৰিব বিচাৰিছে। ফলত সাম্প্ৰদায়িক সংঘৰ্ষ, জাতিগত বিদ্বেষৰ

উদ্ভৱ হৈছে। বিশ্বৰ বিভিন্ন একচেটিয়া মালিক সকলে অসমৰ উদ্যোগত প্ৰবেশ কৰি পুঁজী বিনিময় কৰি চক্ৰান্তত লিপ্ত হৈছে। গতিকে এই বিষয়টো অসমৰ ৰাজনীতিৰ কাৰণে, অসমৰ ভৱিষ্যৎৰ কাৰণে, অসমৰ উদ্যোগৰ কাৰণে, অসমৰ সম্পদৰ কাৰণে, অসমৰ ৰাইজৰ কাৰণে অতি গুৰুত্বপূৰ্ণ বিষয়। মাটি অসমৰ, উৎপাদিত সামগ্ৰী অসমৰ— অথচ অসম চৰকাৰে একো নেজানে অজানিতে ১১৫ কোটি টকাৰ লেন-দেন হৈ গ'ল। এই আসাম কোম্পানীৰ বাগান অসমৰ দোমৰ দলং চাহ বাগিচাত ৮ হেজাৰ শ্ৰমিক আছে। সেই বাগানতে জন্ম গ্ৰহণ কৰা আমাৰ ৰাইজৰ প্ৰতিনিধি, এজন বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী সভাৰ এজন প্ৰতিনিধি তেখেতৰ অজানিতে এই বাগান বিক্ৰী হৈ গ'ল। কেন্দ্ৰীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰিয়ালেও এই কথা নেজানে, বাগানৰ শ্ৰমিকেও নেজানে অথচ ৰাতা-ৰাতিৰ ভিতৰত মালিকী স্বত্ব পৰিবৰ্তন হৈ গ'ল। আজি সেই সকল শ্ৰমিকৰ বোনাচৰ্ৰ সিদ্ধান্ত কোনে লব? দৰমহাৰ সিদ্ধান্ত কোনে লব। কোম্পানী হস্তান্তৰত এনে এটা অৱস্থাত উপনীত হৈছে। গতিকে বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় হিছাবে লৈ চৰকাৰে মালিক স্বৰ্ত্ত পৰিবৰ্তনৰ এই বেআইনী কাৰ্য্যত কি সিদ্ধান্ত গ্ৰহণ কৰে আজিৰ সদনত অৱগত কৰিবলৈ অনুৰোধ জনালো।

শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ইং ২৪ জুলাই ১৯৯১ তাৰিখৰ 'বুধবাৰ' বাতৰি কাকতত প্ৰকাশিত "এশ পোন্ধৰ কোটি টকাত আসাম কোম্পানী বিক্ৰী : নেপথ্যৰ নায়ক কোন?" নামৰ শীৰ্ষক বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই বাতৰিত প্ৰকাশ কৰা হৈছে যে ভাৰতৰ বৃহত্তৰ চাহ কোম্পানী সমূহৰ ভিতৰত অন্যতম আসাম কোম্পানী (ইণ্ডিয়া) লিমিটেডৰ মালিকি স্বত্ব এশ পোন্ধৰ কোটি টকাৰ বিনিময়ত সলনি কৰা হৈছে। এই বাতৰিত প্ৰকাশ কৰা হৈছে যে এই লেনদেনৰ সম্পৰ্কে সন্দেহৰ স্থল আছে আৰু অসৎ অভিপ্ৰায় নিহিত হৈ আছে। এই বাতৰিতে আৰু প্ৰকাশ কৰা হৈছে যে বাহাদুৰ টি ইষ্টেত নামৰ আন এখন বাগানো অলপতে প্ৰায় আঠ কোটি টকাত বিক্ৰী কৰা হৈছে।

(২) প্ৰায় ডেৰশ বছৰ পুৰণা এই আসাম টি কোম্পনী লিমিটেডয়ে ডুমডুমা পানীটোলা, ডিব্ৰুগড়, যোৰহাট, মৰাণ, আদিৰ চাহ বাগিচা সমূহক সামৰি

আছে। এই কোম্পানীৰ ১৯৮৯ চনৰ বিগত কৰাৰ লাভংশ (post tex profit) ১২'৮২ কোটি টকা বুলি উল্লেখ কৰা হৈছে।

(৩) ৰাজহ নিয়মাৱলী মতে যদি কৃষি উপযোগী মাটি অন্য উদ্দেশ্যত ব্যাৱহাৰ কৰা হয় তেনে ক্ষেত্রত আগতীয়া অনুমতিৰ প্রয়োজন। এই নিয়মাৱলীৰ অধীনত চাহ খেতিৰ দৰে কিছুমান বিশেষ শ্রেণীৰ খেতিৰ ক্ষেত্রত ৰিশেষ ধৰণৰ ব্যৱস্থা অন্তৰভুক্ত কৰা আছে। এই মালিকীস্বত্ব হস্তান্তৰৰ ক্ষেত্রত ৰাজ্য চৰকাৰৰ চলিত আইন সমূহৰ ব্যৱস্থাৱলী ভঙ্গ হোৱাৰ কোনো উল্লেখ নাই। যি কি নহ'ওক এই সংক্রান্তত আৱশ্যকীয় তথ্য সমূহ ডিব্রুগড় জিলা উপায়ুক্তৰ পৰা বিচৰা হৈছে।

(৪) এই ৰাতৰি যোগে এটা পৰামর্শ ডাঙি ধৰিছে যে যি সকলে চাহ বাগিচাৰ মালিকীস্বত্ব হস্তান্তৰ কৰিব ৰিচাৰে, এই ক্ষেত্রত তেওঁলোকে কেৱল অসম চৰকাৰকহে হস্তান্তৰ কৰিব লাগিব। কিন্তু এনেধৰণৰ পৰামর্শ মানিবলৈ হলে বহুতো লিপ্তকৰণৰ (implecation) লগতে এটা বৃহৎ পৰিমানৰ পুজিৰও ৰাজ্য চৰকাৰৰ আৱশ্যক হব। যি কি নহ'ওক ৰাজ্য চৰকাৰৰ বর্ত্তমান এনে কোনো আইন নাই যাৰ দ্বাৰা এই হস্তান্তৰ কেৱল ৰাজ্য চৰকাৰলৈ হস্তান্তৰ হবলৈ বাধ্য কৰিব পাৰে।

শ্রীশশকমল সন্দিকৈ : অধ্যক্ষ মহোদয়, আজিৰ চেন্টিনেল কাকতত এটা নিউজ ওলাইছে য'ত ডিব্রুগড়ৰ টি চেণ্টাৰ সম্পর্কত মুখ্যমন্ত্রীয়ে কোৱা বুলি প্রকাশ হৈছে যে— In a news item of The Sentinal dated 2.8.91 it is stated that no Tea Company or Tea planters would no longer be allowed to sell any tea centre or tea gardens without the knowledge of the State Government. এই সম্পর্কত মাননীয় মুখ্যমন্ত্রী মহোদয়ে কিবা কব নেকি? জানিব বিচাৰিছো।

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) : অধ্যক্ষ মহোদয়, এই সম্পর্কত ব্যৱসায়ী সকলে চাহবাগানৰ মালিকানা হস্তান্তৰ কৰিব বিচাৰিলে চৰকাৰৰ পৰা অনুমতি লব লাগিব বুলি জনাই দিয়া হৈছে।

Mr. Speaker: Now Item no. 3 call attention under

Rule 301 of the Rules of Procedure and Conduct of Business of the Assam Legislative Assembly, to be moved by Shri Prafulla Kumar Mahanta, Shri Thaneswar Boro and Shri Nagen Sarma.

## MATTER UNDER RULE 301

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ৰাজহুৱা গুৰুত্বপুৰ্ণ ৩০ জুলাই তাৰিখে আজিৰ অসম কাকতত প্ৰকাশিত বৰমাত দুজন নিহত যুৱতী অপহৰণ, ১৬ টা ঘৰ ভষ্মীভুত। বাতৰিত প্ৰকাশ পোৱা মতে বৰমা অঞ্চলত কালি সংঘটিত হোৱা কেৰাটাও বিক্ষিপ্ত ঘটনাত এগৰাকী প্ৰাক্তন বিধায়কৰ পুত্ৰকে ধৰি ২ জন লোক নিহত হয় আৰু প্ৰায় ১৬টা পৰিয়ালৰ ঘৰ ভষ্মীভুত হয়। ইয়াৰ উপৰিও উক্ত অঞ্চলৰ পৰাই কোনো লোকে কালি এগৰাকী ১৭ বছৰীয়া যুৱতীক অপহৰণ কৰি নিয়ে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত বড়ো জনবসতি প্ৰধান অঞ্চলটোৰ পৰিস্থিতি উত্তপ্ত হৈ পৰিছে। ইত্যাদি ইত্যাদি।

অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই কেইটামান কথা জানিব বিচাৰিছো। চৰকাৰ পক্ষৰ পৰা এনেকুৱা ঘটনা হব বুলি এই সম্পৰ্কত চৰকাৰে আগতীয়াকৈ কিবা খবৰ পাইছিল নে নাই? যদি পাইছিল তাৰ প্ৰতিশোধক ব্যৱস্থা চৰকাৰে কেনেকুৱা ভাবে ব্যৱস্থা হাতত লৈছিল আৰু যদি নাই এই সম্পৰ্কে আগতীয়া খবৰ কিয় চৰকাৰে নাপালে তাৰ তদন্ত কৰিবলৈ চৰকাৰে ব্যৱস্থা লৈছে নে নাই? দ্বিতীয়তে যিকেইটা ঘৰ ভষ্মীভূত হ'ল সেই পৰিয়ালৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা চৰকাৰ পক্ষৰ পৰা কৰি দিয়াৰ কাৰণে কি ব্যৱস্থা লৈছে? তৃতীয় কথা নিহত সকলৰ পৰিয়ালৰ কাৰণে সাহায্য দিয়া হৈছে নে নাই আৰু যি গৰাকী যুৱতী অপহৰণ কৰা হৈছে সেই গৰাকীক উদ্ধাৰৰ কাৰণে ব্যৱস্থা লোৱা হৈছেনে নাই এই কেইটা কথা চৰকাৰ পক্ষৰ পৰা জানিব বিচাৰিছো। এই কথাকেইটাৰ বিষয়ে মাননীয় মুখ্যমন্ত্ৰীয়ে সদনত জনাব লাগে আৰু আমাকো জনাব লাগে। আৰু অদূৰ ভবিষ্যতে যাতে তেনে অবস্থাৰ সৃষ্টি নহয় তাৰ কাৰণে ব্যৱস্থা হাতত লৈছেনে নাই সেইটোও জনাব লাগে। যদি এই বিষয়ক

* Speech not corrected.

খবৰ পোৱা নাই তেতিয়াহলে খবৰ সংগ্ৰহ কৰি অনাৰ ব্যৱস্থা লৈছে নে নাই চৰকাৰ পক্ষৰ পৰা জানিব বিচাৰিছো।

Mr. Speaker : Shri Thaneswar Boro তেখেতে নকয়। Now Honourable Member Shri Nagen Sarma.

শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি যোৱা ৩০ জুলাই আজিৰ অসম কাকতত প্ৰকাশিত বাতৰিটোত উত্থাপন কৰিব বিচাৰিছো। শীৰ্ষক বাতৰিটো হ'ল বৰমাত দুজন নিহত, যুৱতী অপহৰণ, ১৬ টা ঘৰ ভস্মীভূত এই বাতৰিটোৰ সন্দৰ্ভত ইতিমধ্যে মাননীয় সদস্য শ্ৰীমহন্ত ডাঙৰীয়াই নিজৰ বক্তব্য ৰাখিছে। প্ৰশ্ন হৈছে এই ধৰণৰ ঘটনা সংঘটিত হৈছে আৰু নলবাৰী এলেকাতো যোৱা প্ৰায় তিনি মাহ মান ধৰি এনে ধৰণৰ চাৰিটামান ঘটনা ঘটিছে। এই বিলাকৰ মূল কেবোন কি ভালদৰে চাই চৰকাৰে কি ব্যৱস্থা লৈছে আমি এতিয়ালৈকে জানিব পৰা নাই। ইয়াৰ মূলতে অঞ্চলটোলৈ যাতায়তৰ সুচল নহয় আৰু পুলিচ আদি যাবলৈ যানবাহন নাই ইত্যাদি কাৰণতে আৰক্ষী লোক সকলো যোৱাত অসুবিধা হয়। যাবলৈ হলেও ঠিক সময়ত গৈ উপস্থিত হব নোৱাৰে। ইয়াৰ ফলতো বহুতো ঘটনা ঘটিছে। কিয়নো এই ঘটনাৰ পিচতো আৰু ঘটনা ঘটিছে। তিনিজন লোকৰ মৃত্যু হৈছে আৰু ২০ টা ঘৰ পুৰি পেলোৱা হৈছে। গোটেই অঞ্চলটোৰ আইন-শৃংখলাৰ সন্দৰ্ভত কি ব্যৱস্থা লৈছে সেই বিষয়ে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা সদনত জনাব বুলি আশা কৰিলো।

শ্ৰীপানীৰাম ৰাভা : অধ্যক্ষ মহোদয়, স্থানীয় বিধায়ক হিচাবে আমাৰ কবলৈ আছে।

Mr. Speaker : Now Honourable Chief Minister will replied. :

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) অধ্যক্ষ মহোদয়, এই বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

বৰমাত হোৱা ঘটনা সন্দৰ্ভত সদনক জনোৱা হল যে যোৱা ইং ২৮/৭/৯১ তাৰিখে প্ৰাক্তন বিধায়ক (পি, টি, চি, এ) অলিত বড়োৰ পুত্ৰ ৰতন বড়ো আৰু বৰিমুখা গাওঁৰ নন্দ বড়োৰ পুত্ৰ ৰাজাশী মুচাহাৰী দুয়ো এখন ৰাজহুৱা মটৰ

গাড়ীত যাত্ৰা কৰোতে তেওঁলোকক বৰমাৰ পাখামাৰা গড়কাপ্তানী ৰাস্তাত কোনো দুস্কৃতিকাৰীয়ে গাড়ীৰ পৰা টানি নিয়ে আৰু ৰাহুলীপাৰা গাওঁত গুলীয়াই হত্যা কৰে। মৃত ব্যক্তি দুজনৰ শৱদেহ পিচত উদ্ধাৰ কৰা হয়। এই খিনিতে উল্লেখ কৰিব পাৰি যে শ্ৰীৰতন যোৱা ২৬।৬।৯১ তাৰিখে ৰৰমা বজাৰত এদল লোকে আক্ৰমন কৰাত তেওঁ বেয়াকৈ আঘাতপ্ৰাপ্ত হৈছিল। ২৮।৭।৯১ তাৰিখে ধলবাৰী গাওঁৰ ১৫০ জন লোকে মাৰাত্মক অস্ত্ৰেৰে সুসজ্জিত হৈ বাটাছাৰা গাওঁত আক্ৰমন চলাইছিল। আৰু ১৫টা মান ঘৰত অগ্নিসংযোগ কৰিছিল। যাৰ ফলত ১৪টা পৰিয়াল গৃহহীন হব লগা হয়।

ওপৰত উল্লেখ কৰা ঘটনা সংক্ৰান্তত প্ৰায় ৫০।৬০ জন দুস্কৃতিকাৰীয়ে সুসজ্জিত হৈ শ্ৰীবিনয় ব্ৰহ্মৰ ৰাহুলীপাৰা গাওঁৰ ঘৰত আক্ৰমন কৰে, আৰু তেওঁৰ ৫ জনীয়া পৰিয়ালৰ ঘৰত অগ্নিসংযোগ কৰে। এই আক্ৰমনত শ্ৰীবিনয় ব্ৰহ্মৰ পিতৃ-মাতৃও আহত হয়।

২৯।৭।৯১ তাৰিখে কিছুমান লোকে ৰৰুৱা গাওঁত অগ্নিসংযোগ কৰি ২০টা ঘৰৰ ক্ষতিসাধন কৰে। সেই ৰাতিয়েই কোনো দুস্কৃতিকাৰীয়ে বাটাচাৰা গাওঁৰ কিছুমান ঘৰত অগ্নিসংযোগ কৰে। ঘটনাৰ লগে লগেই প্ৰায় ৩০।৪০ জনীয়া দল এটাই মাৰণাস্ত্ৰৰে সুসজ্জিত হৈ ৰৰবৰী আৰক্ষী চকীৰ অন্তৰ্গত দীঘলদঙা গাওঁত আক্ৰমন চলায়। আক্ৰমনৰ ফলত ৩ জন লোক: (১) ওগেন বসুমতাৰী (২) শ্ৰীদিলিপ বসুমতাৰী (৩) শ্ৰীকান্দু ৰামচিয়াৰী নিহত হয়। এই লোক সকলৰ মৃতদেহ কেইটা ক্ষতবিক্ষত হৈ দীঘলদঙা গাওঁৰ পথাৰত পৰি থাকে। ৩০।৭।৯১ তাৰিখে কোনো দুস্কৃতিকাৰীয়ে কদাল মৰা গাওঁৰ ৪১ টা আৰু চিংগ্ৰা-বাৰী গাওঁৰ ২টা ঘৰত অগ্নিসংযোগ কৰে। এই ঘটনাৰ ফলত ভয় খাই কিছুমান মানুহ আহি ৰৰবৰী আৰক্ষী চকী আৰু অন্যান্য ঠাইত আশ্ৰয় লয়।

জিলা প্ৰশাসনে আৰক্ষী নিয়োগ কৰি ঘটনা ঘটা ঠাইত ৰক্ষণা-বেক্ষণৰ ব্যৱস্থা কৰিছে যদিও সেই ঠাইবোৰত শান্তিৰ পৰিবেশ ঘূৰি অহা নাই। অৱশ্যে অৱস্থা লাহে লাহে ভালৰ ফালে আহিছে।

অন্য অভিযোগ মতে ২৯।৭।৯১ তাৰিখে কোনো দুস্কৃতিকাৰী ৰৰমা আৰক্ষী চকীৰ অন্তৰ্গত, খেৰুৱা গাওঁত আক্ৰমন কৰাৰ লগতে তেওঁলোকে বাটাছাৰা গাওঁৰ শ্ৰীমতী সুমলী নাৰ্জাৰীক অপহৰণ কৰি নিয়ে। এই অপহৰণ কৰা

ছোৱালীজনী ৰিচাৰি থকা হৈছে যদিও এতিয়ালৈকে কোনো সুংসুত্ৰ উলিয়াব পৰা নাই।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰফুল্ল মহন্ত ডাঙৰীয়াই কেইটামান কথা জানিৰ বিচাৰিছে এই সম্পৰ্কত চৰকাৰ বা বিভাগৰ আগতীয়াকৈ খবৰ নাছিল। সাহায্য সম্পৰ্কে ব্যৱস্থা কৰা হৈছে। প্ৰতিটো পৰিয়ালকে আৰ্থিক সাহায্য দিয়া হৈছে আৰু দুজন উচ্চ পদস্থ বিষয়া এজন ডি-আই-জি আৰু এজন চিভিল বিষয়াক পঠোৱা হৈছে এই সকলো লোকক নিজৰ নিজৰ ঘৰত ৰখাত ব্যৱস্থা কৰাৰ কাৰণে। চৰকাৰৰ তৰফৰ পৰা গৃহহীন হোৱা সকলক ঘৰ সজাই দিয়াৰ নিৰ্দ্দেশ দিয়া হৈছে আৰু আৰক্ষী বাহিনীৰ লোক ৰাখি এই ধৰণৰ ঘটনা নঘটিবৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীনগেন শৰ্মা: অধ্যক্ষ মহোদয়, দুস্কৃতিকাৰী সকলক চিনাক্ত কৰাৰ ব্যৱস্থা লোৱা হৈছে নে জানিব বিচাৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কিছু লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

## DEBATES ON GOVERNOR'S ADDRESS

Mr. Deputy Speaker: Now Honourable Member Shri Prithivi Majhi.

* শ্ৰীপৃথিবী মাঝি: অধ্যক্ষ মহোদয়, মই কালি কবলৈ বিচাৰিছিলো আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সুচক প্ৰস্তাৱ জ্ঞাপন কৰিবলৈ বিচাৰিছো এই কাৰণেই এইবাৰ আমাৰ চৰকাৰে অনুসুচিত জাতি আৰু জনজাতি চাহ মজদুৰ আদিক অন্তৰ্ভুক্ত কৰিবলৈ যি প্ৰচেষ্টা চলাইছে ১০০ বা ১৫০ বছৰৰ আগতে অসমত চাহ বাগিছাৰ বনুৱা কৰিবৰ কাৰণে অনা হৈছিল আৰু এই চাহ মজদুৰ লোক সকলৰ বেছি ভাগেই অনুসূচিত জাতি আৰু জনজাতিৰ লোক। কিন্তু দুখৰ বিষয় অসমত এচ, চি, আৰু এচ, টি, হিচাবে কৰা হোৱা নাই। চাহ মজদুৰ সকলক কোৱা হৈছে যে তেওঁলোকক এচ, চি, আৰু এচ, টি,ত ধৰা নহয়। কিন্তু এটা কথা মই কব বিচাৰিছো যে পশ্চিমবঙ্গত যি সকল চাওতাল আছে উৰিষ্যা, বিহাৰৰ পৰা আহিছে তেওলোকক এচ, চি, এচ, টি কৰা হৈছে। অসমত যোৱা বিগত ৫ টা বছৰত কোঅৰ্ডিনেশ্যন কমিটিয়ে

* Speech not corrected.

এই বিষয়টোৰ বিষয়ে বিবেচনা কৰা হোৱা নাছিল। ৰিগত ৫টা বছৰে ৰহুতো বাতৰি কাকত আদিত কোৱা হৈছে আৰু কিছুমান বুদ্ধিজীৱিয়ে কয় চাহ মজদুৰ সকলক যদি এচ, চি, আৰু এচ, টি,ত অন্তৰ্ভূক্ত কৰা হয় তেন্তে তেওঁলোকে অসমীয়া সমাজৰ পৰা ফালৰি কাটি আহিব। এইটো ভুল তথ্য বুলি মই কব বিচাৰো কাৰণ চাহ মজদুৰ সকল এচ, চি, আৰু এচ, টি,ত অন্তৰ্ভূক্ত হলে কেতিয়াও ফালৰি কাটি নাহে। চাহ মজদুৰ জনগোষ্ঠী অসমীয়া তথা অসমীয়া জাতি অসমীয়া ভাষা তথ্য সংস্কৃতিৰ অবিচ্ছেদ্য অঙ্গ। কেতিয়াও ফালৰি কাটিবলৈ নাহে আৰু সেয়ে আজি তেওঁলোকে অসমৰ বাকী জনগোষ্ঠীতকৈ চাহ মজদুৰ জনগোষ্ঠীৰ শিক্ষাৰ শতকৰা হাৰ দেখা যায় ১ বা ২ হৰ যেতিয়ালৈকে পিচ পৰি থাকিৰ তেতিয়ালৈকে তেওঁলোকৰ কোনো উন্নতি নহৰ। সেয়ে সংবিধানৰ ৩৪১ আৰু ৩৪২ ধাৰা অনুযায়ী এই জনগোষ্ঠী সকলৰ অনুসুচিত জাতি আৰু অনুসুচিত জনজাতি হিচাৰে অন্তৰ্ভূক্ত কৰিবলৈ সংশোধন কৰি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব পাৰে। তৃতীয়তে ৰাজ্য পালৰ ভাষণত আৰু এটা কথা প্ৰতিফলিত হৈছে তাত মই এটা কথা কব ৰিচাৰিছো যে চাহ মজদুৰ সকল বাগিছাত কাম কৰাৰ পিচত আফটাৰ ৰিটায়াৰমেণ্টৰ পিচত ঘৰ ৰনাই থাকিবলৈ এডোখৰ মাটি দিয়াৰ কোনো ব্যৱস্থা নাই। সেই কাৰণে এই মানুহখিনিয়ে অশেষ কষ্ট পায়। একোটা ঘৰতে ৬—৪টা পৰিয়ালে একেলগে থাকিব লগা হয়।

(ৰুলিং দিয়ে)

আফটাৰ ৰিটায়াৰমেণ্টৰ পিচত তেওঁলোকৰ লেন্দ লেচ, হোম লেচ বুলি ধৰি থব লাগে। তাৰ পিচত মই আৰু এটা কথা কৰ বিচাৰিছো পঞ্চায়তৰ বিষয়ে যিটো প্ৰতিফলিত হৈছে এইটো এটা বলিষ্ঠ পদক্ষেপ। ৫ বছৰৰ আগতে কৰা হলে ভাল আছিল। মই নিজে এজন ডেপুটি কাউন্সিলাৰ আছিলো। কিন্তু কোনো পঞ্চায়তী ব্যৱস্থা কৰা নাছিল। যি সকলে ২০—৩০ মাহ নিজেই গ্ৰাম্য উন্নয়ন ক্ষেত্ৰত জড়িত হৈ আছিল তেওঁলোকৰ পৰিয়াল সকলৰ যি অৱস্থা, এই অৱস্থা অত্যন্ত দুখজনক। এই পঞ্চায়তী ব্যৱস্থা শক্তিশালী কৰিৰ বুলি উল্লেখ কৰিলো আৰু সলাবলগীয়া বিষয় হৈছে ক্ষমতা ৰিকেন্দ্ৰীকৰণ। আইন শৃঙ্খলাৰ বিষয়ে আমাৰ মাননীয় ৰিৰোধী পক্ষৰ সদস্য সকলে ৰাৰে ৰাৰে কৈ আছে অসমত আইন শৃঙ্খলা

অত্যন্ত অৱনতি ঘটিছে। সেইকাৰণে মই এখন তালিকা সদনত দাখিল কৰিব বিচাৰিছো। পূৰ্ব্বৰ মন্ত্ৰীৰ পৰা বৰ্ত্তমান মন্ত্ৰীলৈকে ক'ত কিমান গুলি চালনা কৰা হৈছে আৰু মৃত্যু হৈছে।

গোপীনাথ বৰদলৈৰ দিনত ফায়াৰিং হৈছে আৰু এজনৰ মৃত্যু হৈছে। বিমলা প্ৰসাদ চলিহাৰ দিনত ৪ টা ফায়াৰিং হৈছে আৰু ১৬ জনৰ মৃত্যু হৈছে। মহেন্দ্ৰ মোহন চৌধুৰীৰ দিনত ফায়াৰিং হৈছে। শৰৎ সিংহৰ দিনত ফায়াৰিং হৈছে। আনোৱাৰা টাইমুৰ আৰু কেশৱ গগৈৰ দিনত ফায়াৰিং হোৱা নাই। হিতেশ্বৰ শইকীয়াৰ দিনত ৪ বাৰ ফায়াৰিং হৈছিল আৰু ১১ জনৰ মৃত্যু হৈছিল। মাননীয় বিধায়ক শ্ৰীপ্ৰফুল্ল মহন্তৰ দিনত ৪৬৫ বাৰ হৈছিল আৰু ১৬২ জন মৰিছে।

(বিৰোধী পক্ষৰ ফালৰ পৰা কয় ৮৩-৮৫ চনৰ ভিতৰত কি হল ?)

ৰাজ্যপাল ভাষণৰ ওপৰত আমাৰ মাননীয় সদস্য প্ৰফেচাৰ মুজিবুৰ ৰহমান ডাঙৰীয়াই দিয়া ধন্যবাদ সূচক প্ৰস্তাব থাকিল আৰু লগতে সকলোলৈকে মোৰ ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Parameswar Brahma : Sir, I contradict Mr. Majhi that he has claimed Bodos to be Assamese. We are a separate people and we have come here to create a land for the Bodos. I contradict what he said very strongly.

* শ্ৰীতজেন্দ্ৰ নাৰ্জাৰী : মাননীয় অধ্যক্ষ মহোদয়, আমি এইটো নাজানো। উঠাই লব লাগে।

Mr. Speaker : Now Honourable Member, Shri Holiram Terang.

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মোৰ দুআষাৰ কব লগা আছে। তেখেতে কৈছে যে এইটো চৰকাৰৰ নীতি আৰু নিৰ্দেশনাহে দিয়া হৈছে। অধ্যক্ষ মহোদয়, মই এটা এমেন্দমেণ্ট আনিছো ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাৰ ওপৰত মই কও যে তেখেতৰ ভাষণত ৰাজনৈতিক বন্দী সকলক ক্ষমাদান কৰা বা মুক্তি দিয়াৰ কোনো প্ৰতিশ্ৰুতি নাই।

* Speech not corrected.

লগতে আমি কৈছো যে অসমৰ যি জ্বলন্ত ৰাজনৈতিক সমস্যা-কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ স্বায়ত্ব শাসিত ৰাজ্য গঠন কৰাৰ আন্দোলনৰ সমস্যাৰ লগতে বড়োলেণ্ড দাবীৰ যি সমস্যা এই দুটা কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই।

Mr. Speaker vacated the chair and Mr. Deputy Speaker occupied.)

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণখন ভালকৈ চালে দেখা যায় যে বহুতো পৃষ্ঠাত বহুতো বিষয়ৰ ওপৰত বক্তব্য ৰাখিছে। প্ৰথম আৰু শেষৰ চোৱা যদি চোৱা হয় তেন্তে দেখা যায় যে তাত যি কথা উল্লেখ কৰা হৈছে সেইখিনি মূল্যহীন। প্ৰথমতে কোৱা হৈছে যে নতুন বিধান সভাই এই নিৰ্বাচনটো শান্তিৰে পাৰ কৰি আহিছে। এইটোৰ মানে কি? আলফাই যদি যুদ্ধ বিৰতি নকৰিলেহেঁতেন তেন্তে শান্তি হবলৈ পালেহেঁতেন নে? বৰ্ত্তমান চৰকাৰে ঘোষণা কৰিছে যে হাঁহ কুকুৰা দিয়া হব, দুটকা মূল্যত চাউল দিয়া হব, কৃষি ঋণ দিয়া হব আৰু নিবনুৱা লাখ লাখ যুৱকক চাকৰি দিয়া হব। শেষত কৈছে যে আমাৰ ৰাজ্যখন গভীৰ বিত্তীয় সংকটত পৰি আছে। অহা পাচ বছৰত ১০ লাখ লোকক কৰ্ম্মসংস্থান দিয়া হব। মই আগতেই কৈ আহিছো যে হাঁহ-কুকুৰা দিয়া, কৃষি ঋণ দিয়া পুৰণা কথাবিলাককে কৈ থকা হৈছে, নতুন কোনো আঁচনিৰ ৰূপায়নৰ কথা কোৱা নাই। পুৰণা খিনিৰ কাৰণেই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হাত পাতিব লাগিব। এফালে টকা নাই বুলি কৈছে আৰু আনফালে নানান আঁচনিৰ কথা কৈছে ইয়াৰ পৰাই বুজা যায় যে বাহিৰে ৰং চঙীয়া আৰু ভিতৰে কোৱা ভাতুৰী। তথাপিও ৰাজ্যখনত যিবিলাক সম্পদ আছে এইবিলাকৰ পৰা প্ৰকৃততে ৰাজ্যখনৰ উন্নয়নৰ বাবে কিনো ব্যৱস্থা লোৱা হৈছে সেই কথা উল্লেখ নকৰি বাৰে বাৰে একেবোৰ কথাকে উল্লেখ কৰি থকা হৈছে। আমাৰ ৰাজ্যখনত বানপানী হৈছে, মন্ত্ৰী যাব দিল্লীলৈ, নতুন চাকৰি লাগে মন্ত্ৰী যাব দিল্লীলৈ। যি সময়ত কেন্দ্ৰীয় চৰকাৰৰে টকা নাই, ভাৰতীয় সোণবিলাক লণ্ডনলৈ গৈছে সেই সময়ত কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আশা কৰাটো কিমান যে বৃথা।

আজি আমি ইয়ালৈ এম এল এ হৈ আহিবলৈ পালো একমাত্ৰ আলফাৰ

অনুগ্ৰহতহে। এই কথা লিখিত ভাৱে কোনেও নকলেও সত্য কথা, আলফাই যদি যুদ্ধ বিৰতি ঘোষণা নকৰিলেহেতেন তেন্তে নিৰ্বাচনেই নহলহেতেন। তথাপি আজি আলফাৰ পণবন্দী সকলক মুক্তি দিলেই যে আলফাৰ সমস্যা সমাধান হব এনে নহয়। ইফালে ৪।৫ জনক এৰি দিলেই সিফালে ১০ জনক এৰি দিব, এইদৰে সমস্যা সমাধান নহয়। আজিৰ অসমত যি ৰাজ্য গাঠনিৰ সমস্যা, ৰাজনৈতিক গাঠনিৰ সমস্যা হৈ পৰিছে। এনে অংস্থাত নিবনুৱা যুৱক-যুৱতী সকলৰ ১০ লাখক চাকৰি দিয়াৰ কথা কৈছে, এই চাকৰি কোনে দিব ? কেনেকৈ দিব ? বৰ্ত্তমান চৰকাৰৰ নিজৰ কৰ্ম্মচাৰী সকলক দৰমহা দিবলৈ টকা নাই। কাৰ্বি আংলং জিলাৰ এল পি স্কুলৰ শিক্ষক সকলে আন্দোলন কৰিছে, তেওঁলোকৰ দৰমহা নাই, এওঁলোক অসম চৰকাৰৰেই কৰ্মচাৰী।

* Shri Giasuddin Ahmed : Mr. Deputy Speaker, Sir, when some important matters are being discussed in the House unfortunately the Treasury Bench appears to be vacant:

* শ্ৰীহলিৰাম টেৰাং : আৰু চাৰ মই কওঁ যে অসমত যি ৰাজনৈতিক সমস্যা আছে সেই সমস্যা সমূহ সমাধান কৰিবলৈ হলে অকল অসমৰ কথাই চিন্তা কৰিলে নহয়, আমাৰ ভাৰতবৰ্ষৰ যি ৰাজনৈতিক গাঠনি আছে সেইটো চিন্তা কৰিহে এই সমস্যা সমাধান কৰিব পৰা যায়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ আজি স্বায়ত্ব শাসিত ৰাজ্যৰ দাবী আছে সেই ক্ষেত্ৰত ৰাজ্যপালক কবলৈ কোৱা হৈছে যে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰ জিলাৰ স্বায়ত্ব শাসনৰ দাবী হে আহি পৰিছে। এই সম্পৰ্কে আমাৰ মাননীয় মন্ত্ৰী লাংথাচা ও শাসক দলৰ অন্তভুক্ত হৈছে। তেখেতেও অটনমাচ ষ্টেট দাবী কৰে তাৰ মানে কংগ্ৰেছ আয়েও অটনমাচ ষ্টেট বিচাৰে। যদি এইটোৱেই হয় তেন্তে ৰাজ্যপালৰ ভাষণত বিভিন্ন জনগোষ্ঠীয়ে স্বায়ত্ব শাসিত ৰাজ্যৰ দাবী কৰে বুলি কবলৈ সাহস হোৱা নাই কিয় ? মুখত এটা কথা কয় আৰু কামত আন এটা কথা কয়, ইয়াৰ উদ্দেশ্য কি ? ভাৰতীয় সংবিধানত ৬ষ্ঠ অনুচ্ছেদৰ অধীনত স্বায়ত্ব শাসনৰ এটা কথা আছে।

অন্ততঃ ৰাজ্য চৰকাৰৰ পৰা আলোচনা আৰম্ভ কৰক। ৰাজ্য চৰকাৰে অটোনোমী দিব নোৱাৰে কেন্দ্ৰীয় চৰকাৰেই দিব লাগিব কিন্তু ৰাজ্য চৰকাৰে

* Speech not corrected.

অন্ততঃ প্ৰক্ৰিয়াটো আৰম্ভ কৰিব পাৰে। এই খিনিতে মই আৰু এটা কথা কব বিছাৰিছো বড়ো সকলৰ দাবীৰ ওপৰত যি নীতি ঘোষণা কৰিছে অকল কি ৩ জনীয়া বিশেষজ্ঞ কমিটিয়েহে সমস্যা সমাধান কৰিব পাৰে নেকি ? সেই-টোৱে একমাত্ৰ পথ নেকি ? কেন্দ্ৰীয় চৰকাৰে আলোচনাত মাতিব তেতিয়া লৈকে বাটচাই থাকিব লাগিব নেকি ? আজি অসমত যিবিলাক ঘটণা ঘটি আছে আমাৰ বড়ো সদস্য সকলে হয়তো কব। বৰমাত বড়োক বড়োই কাজিয়া লাগিছে যাক কয় ভাতৃঘাটি আন্দোলন, ভাতৃৰ মাজত সংঘাট। আজি জন-জাতিৰ মাজত বড়োই বড়োৰ বিৰুদ্ধে কাৰ্বিয়ে কাৰ্বিৰ বিৰুদ্ধে কাজিয়া আৰম্ভ কৰিছে কাৰ কাৰণে ? কাৰ্বি আংলং জিলাত নিৰ্ব্বাচনৰ পিছত ৭ ঠাইত সংঘৰ্ষ হৈছে, এই সংঘৰ্ষ ৰাইজে কৰা নাই কৰিছে চৰকাৰৰ পুলিচ বাহিনীয়ে। দকমকা, হাওৰাঘাট বোকাজান আদি ঠাইত পুলিচেই সংঘৰ্ষ লিপ্ত হৈছে যাৰ কাৰণে আজি আমি বাজেন বংপীৰ মুক্তি বিনা চৰ্ত্তে দাবী কৰিছো। নিৰ্ব্বাচনৰ সময়ত পুলিচে গৈ অসমীয়া গাওঁত সোমাই বাসিন্দা সকলক কৈছে "তহঁতে অসমীয়া মানুহ এ এ এচ দিচিক কিয় সমৰ্থন কৰিছে" তাৰ প্ৰমান আছে। আটাইতকৈ ডাঙৰ কথা হ'ল I will take one point, Sir, গতিকে কাৰ্বিসকলৰ যিবিলাক সমস্যা শাসক দলে তাক সমৰ্থন কৰিব লাগিব। খেতি-য়কক মাটি পট্টন দিব লাগে বুলি ৰাজ্যপালৰ ভাষণত উল্লেখ আছে। আমি কোৱা নাই বুৰঞ্জীয়ে কৈছে যে অসমৰ ভুমিপুত্ৰ হৈছে কাৰ্বি আৰু বড়ো সকল। কিন্তু সেই ভুমিপুত্ৰ সকলৰ ম্যাদীপট্টা হুবৰ কথা তোজীপট্টাও নাই। কাৰ্বি আংলং ধেমাজী কোকৰাঝাৰ এই সকলোবোৰ ঠাইতে খেতিয়কৰ আজি পট্টা নাই। আজি আমি য'ত বহি আছো এই দিশপুৰেই আছিল জনজাতি সকলৰ বাসস্থান কিন্তু তেওঁলোকে পট্টা পাইছিল নে? গতিকে মই চৰকাৰক টানি অনু-ৰোধ জনাইছো যেন অতি সোনকালে এই খিলঞ্জিয়া লোক সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰে। আনহাতে অসমৰ জনসাধাৰণৰ যি সকলে আজি পৰ্য্যন্ত মাটি পোৱা নাই অনতিপলমে তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰিব লগে। আজি আমাৰ দেশত এটা ডাঙৰ কথা হৈছে মূল্য বৃদ্ধি। ৰাজ্যপালৰ ভাষণত সেই কথা উল্লেখ নাই। দিনক দিনে বস্তুৰ দাম বাঢ়ি গৈছে অৱশ্যে এই চৰকাৰৰ দিনত তাক কমাব নোৱাৰে কিয়নো নিৰ্ব্বাচনত বহুত টকা খৰছ হৈছে সেয়ে তাৰ মোকাবিলা কৰিব লাগিব। দ্বিতীয়তে আজি অসমত বহুতবিলাক চাহ

কৰ্মচাৰী আছে কিন্তু তেওঁলোকৰ বেছি ভাগেই ৰেগুলাৰ কৰ্মি নহয়। শাসক-দলৰ এই জনগোষ্ঠীৰ বহুত কেইজন সদস্য আছে তেওঁলোকে এই কথাটো গভীৰভাবে চিন্তা কৰিব বুলি আশা কৰিলো। অসমক উদ্যোগীকৰণ কৰাৰ ক্ষেত্ৰত শাসক দলৰ মাননীয় সদস্য এজনে কৈছে যে বাহিৰা উদ্যোগপতি সকলে অসমলৈ ধন বিনিয়োগ কৰিবলৈ নাহে। ভাৰতবৰ্ষই যেনেকৈ আই এম এফ লোনৰ কাৰণে বাহিৰত সদায় নিৰ্ভৰ কৰিবলগীয়া হয় ঠিক তেনেকৈ আমিও উদ্যোগ পাতিবৰ কাৰণে বোম্বে কলিকতাৰ ফালে চকু ৰাখিব লাগে। এইটো আমাৰ ট্ৰেডিচন হৈ পৰিছে। আমি অসমীয়া মানুহৰ মাজত উদ্যোগ পাতিব পৰা কি টেলেণ্ট নাই নেকি? আমি সদায়ে এনেকৈ ভিক্ষাৰী হৈ থাকিম নেকি? গতিকে আমাৰ মাজতো যদি কোনোবা এক্সপাৰ্ট আছে তেনেহলে তেওঁক এই সুবিধা দিব লাগে। অসমৰ ৰাইজে বানপানীৰ লগত বসবাস কৰি আহিছে। তেওঁলোকৰ অভিজ্ঞতা হৈছে। তেওঁলোকৰ উইজদম আছে। আমি সেই উইজদম বিলাক কিয় কামত লগাব নোৱাৰো। বানপানীৰ সমস্যা অকল একসপাৰ্টৰ যোগেদিয়ে নহয় উইজদম থকা মানুহকো কামত লগাব লাগে।

Mr. Deputy Speaker : Please conclude your speech. Finish your speech. (সময়ৰ সংকেট)

শ্ৰীহলিৰাম টেৰাং : মাননীয় উপাধ্যক্ষ মহোদয়, সমাজ গঠণ ৰাজনৈতিক গাঠনিৰ যদি পুনৰগঠণ নহয় তেনেহলে কোনো সমস্যাৰ সমাধান নহয়। এই খিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Honourable member, Shri Karendra Basumatary. You are allowed to speak for 5 minutes.

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত মাননীয় সদস্য শ্ৰীমুজিবৰ ৰহমান ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদসুচক প্ৰস্তাৱ আনিছে তাৰ ওপৰত সংশোধনী জানিব বিচাৰিছো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণৰ ৯ নং পৃষ্ঠাত শিক্ষাৰ বিষয়ে উল্লেখ কৰিছে। এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় বৰাক ভেলীত আৰু আন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় ব্ৰহ্মপুত্ৰৰ

উত্তৰপাৰে স্থাপন কৰা হব বুলি উল্লেখ কৰিছে। সেইখিনিতে তেখেতৰ ভাষণত স্পষ্ট হোৱা নাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে দ্বিতীয় বিশ্ববিদ্যালয়খন ক'ত স্থাপন কৰা হব। মাননীয় সদস্য সকলে জানে নিখিল বড়ো ছাত্ৰ সন্থাই ১৯৮৫ চনত তেতিয়াৰ কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী মাননীয় শ্ৰীকে, চি, পন্তক লগ ধৰি জনজাতি অধ্যুষিত কোকৰাঝাৰ অঞ্চলত এই বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ অনুৰোধ কৰাত তেখেতে কোকৰাঝাৰতে উক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হব বুলি আশ্বাস দিছিল। আমি বড়োলেণ্ড দাবী কৰাৰ লগতে আমি এইটোও এটা দাবী কৰি আহিছো তেতিয়া মই বড়ো ছাত্ৰ সন্থাৰ সভাপতি আছিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, কোকৰাঝাৰ জিলাত এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপন কৰিব বিচৰা হৈছে। অসমত ৩ খন ইউনিভাৰচিটি আছে। ডিব্ৰুগড়, গুৱাহাটী, আৰু যোৰহাট কৃষি বিশ্ববিদ্যালয়। এই তিনিখন বিশ্ববিদ্যালয় সমুহকো ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেহে স্থাপন কৰা হৈছে। এই ইউনিভাৰচিটি কেইখনত ট্ৰাই-বেল সকলৰ ল'ৰা-ছোৱালীয়ে নপঢ়ে। ১৯৮৩ চনত মোৰ গাৱৰে এজন শ্ৰীপ্ৰভাত ব্ৰহ্ম নামৰ এজন লৰাই এগ্ৰিকালচাৰ ইউনিভাৰচিটিত পঢ়িবলৈ গৈছিল। তেতিয়া অসমত আই কংগ্ৰেছৰ শাসন আছিল। তেওঁক মাৰ-পিত কৰি ইউনিভাৰচিটিৰ পৰা খেদি পঠিওৱা হৈছিল। যাৰ কাৰণে নেকি সেই ছাত্ৰজন উচ্ছ শিক্ষাৰ পৰা বঞ্চিত হৈছিল। আনহাতে আমাৰ স্বৰ্গীয় উপেন্দ্ৰ নাথ ব্ৰহ্মকো গুৱাহাটী ইউনিভাৰচিটিত সেই সময়ত নানা ধৰণৰ লাঞ্চনা কৰি হোষ্টেলৰ পৰা উলিয়াই দিছিল। এনেকুৱা বিলাক কাৰণেই আজি কোকৰাঝাৰ জিলাত এখন ইউনি-ভাৰচিটি বিচৰা হৈছে। সেইকাৰণেই কোকৰাঝাৰ জিলাত বিশ্ববিদ্যালয়ৰ স্থাপনৰ অনুমতি দিব লাগে।

(সময়ৰ সংকেট দিয়ে)

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মোক আৰু মাত্ৰ ১ মিনিট সময় দিয়ক। এজন সদস্যই আমাক বড়ো সকলক অসমীয়া বুলি কবলৈ কুণ্ঠাবোধ কৰা নাই। আমি কব বিচাৰিছো যে নতা বড়োলেণ্ড নতা ৰেষ্ট, ডিভাইড অসম ফিফটি ফিফটি।

Mr. Deputy Speaker : Now Honourable Member Shri Jatin Mali.

* শ্ৰীযতীন মালী : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মজিবুৰ ৰহমান ডাঙৰিয়াই যি ধন্যবাদ সুচক প্ৰস্তাৱ আনিছে আৰু মহামান্য ৰাজ্যপাল মহোদয়ে যিখিনি বক্তব্য ডাঙি ধৰিছে সেই সম্পৰ্কত আমাৰ যথেষ্ট কবলগীয়া আছে যদিও আৰু এটা কথা ডাঙি ধৰিব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত শান্তি শৃংখলাৰ নামত যিখিনি কথা কোৱা হৈছে সেইটো সম্পূৰ্ণ হোৱা নাই যেন লাগে। তেখেতৰ বক্তব্যত স্পষ্ট ছবি বিশেষকৈ আইন শৃংখলাৰ সম্পৰ্কত ফুটি উঠা নাই বুলি অনুমান হৈছে। আমি এইটো কথা লক্ষ্য কৰিছো যে অসমৰ বৰ্ত্তমান যি অৱস্থা অসমৰ সামগ্ৰীক যি পৰিস্থিতি সেইটো ৰাতৰি কাকতৰ মতামত, জনসাধাৰণৰ মতামত আৰু বিভিন্ন জনগোষ্ঠিৰ মতামত সাপেক্ষে চাই তেনেবিলাক কথা অনুভৱ কৰিছো। মই এইটো কথা উল্লেখ কৰিবলৈ বিচাৰিছো যে আমি দিশপুৰত থাকি বিধায়ক সকলে নিৰাপত্তাৰ যিটো উপলব্ধি কৰিছো সেইটো কব বিচাৰিছো। দিশপুৰত বিধায়ক সকলক নিজস্ব চৌহদত সাক্ষাৎকাৰ সকলে লগ কৰাৰ সম্পৰ্কত প্ৰতিবন্ধক তাৰ সৃষ্টি হৈছে। সেইটো কথা আমি উপলব্ধি কৰিছো। যদি আইন শৃংখলাৰ নামত কিবা কৌশলগত যদি কিবা আছে তেতিয়াহলে সেইটো সংশোধন কৰাৰ প্ৰয়োজন আছে। নিৰ্বাচিত প্ৰতিনিধি সকলক যাতে সমষ্টিৰ জনসাধাৰণে সকলো সময়তে লগ পোৱাৰ প্ৰয়োজন আছে। বিধায়ক সকলক যাতে আবাসগৃহত লগ পাব পাৰে সেই সম্পৰ্কে পুনৰ বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। আৰু বিভাগৰ ফালৰ পৰা যিখিনি চাৰ্কোলাৰ দিয়া হৈছে সেইখনও পুণৰ বিবেচনা কৰাৰ প্ৰয়োজন আছে। এই চাৰ্কোলাৰখন সোনকালে উইড্ৰ কৰিব লাগে। আৰু এটা কথা আমি উপলব্ধি কৰিছো যে দিচপুৰৰ কেম্পাচৰ ভিতৰত এখন আনন্দকিন্দাৰ গাৰ্ডেন নামৰ এখন স্কুল আছে। সকলো অভিভাৱকে উপলব্ধি কৰিছে যে স্বয়ং দিচপুৰতে থাকি এনেকুৱা নিৰাপত্তা ৰক্ষা কৰা হৈছে বাকী অসমৰ অন্যান্য ঠাইত কি হব পাৰে।

মাননীয় উপাধ্যক্ষ মহোদয় আৰু এটা কথা কব বিচাৰিছো যে আমাৰ এম, এল, এ সকলৰ কথা.। আমি নিৰাপত্তা ৰক্ষক সকলক চিনাকি দিয়াৰ

* Speech not corrected

পিচতো তেওঁলোকে দ্বিতীয়টো প্ৰশ্ন কৰে যে কেখেত বা কোন দলৰ প্ৰাৰ্থী এম এল এ। এই কথাটো মাৰাত্মক কথা। এইটো চৰকাৰৰ প্ৰি প্লেননে নে কোনোবা বিশেষ ৰাজনৈতিক নেতাৰ পি প্লেন। এইটো সংশোধন কৰাৰ প্ৰয়োজন।

নিৰাপত্তাত থকা মানুহে কোন পাৰ্টিৰ এম, এল, এ, সেই কথাষাৰ সুধিব নালাগে। এনেবোৰ প্ৰশ্ন মোকো কৰা হৈছিল। কিন্তু মই ইচ্ছাকৃতভাবে সেই প্ৰশ্নৰ উত্তৰ দিয়া নাছিলো। গতিকে এনেবোৰ কথা অনুসন্ধান কৰা প্ৰয়োজন আছে। উপাধ্যক্ষ মহোদয়, আমি এই সদনত এটা কথা উপলব্ধি কৰিছো যে আমাৰ মহামান্য ৰাজ্যপালৰ ভাষণত বানপানী সম্পৰ্কে যথেষ্ট কথা কোৱা হৈছে। কিন্তু এই কথাবোৰৰ কোনো ষ্টেটিচটিকেল পইণ্ট অৱ ভিউ নাই। বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধৰ নামত জনসাধাৰণক সাহায্য দিয়াৰ নামত সেইবোৰ কথা যদি আমি ইয়াত আলোচনা নকৰো তেনেহলে আমাৰ এই আলোচনা আধুৰা হৈ ৰব। আমি প্ৰত্যেকেই জানো যে এইবাৰ অসমৰ বিভিন্ন প্ৰান্তত যি প্ৰলংকৰী বানপানী হৈ গ'ল তাৰ ভিতৰত পলাশবাৰী অঞ্চলত এই বানপানীয়ে তাণ্ডৱ ৰূপ ধাৰণ কৰিছিল। সেই বানপানীত এই অঞ্চলত ২২ টা শিবিৰ পতা হৈছিল আৰু সেই শিবিৰ বোৰত ৰাইজক ৰক্ষণাবেক্ষণ দিয়াৰ কাৰণে বিভাগীয় ভাৱে যি ব্যৱস্থা লোৱা হৈছিল সেই সম্পৰ্কত মই এটি স্পষ্ট ছবি সদনত দাঙি ধৰিব বিচাৰিছো। তাত কেনে ধৰণৰ বস্তুৰ যোগান ধৰা হৈছিল সেই সম্পৰ্কে অনুসন্ধান কৰি চোৱাৰ প্ৰয়োজন আছে। মই নিজে স্থানীয় বিধায়ক হিচাবে সেই শিবিৰবোৰ পৰিদৰ্শন কৰিছিলো আৰু তাত গৈ এটা কথা পৰিলক্ষিত হৈছিল যে বানপানী হোৱা অঞ্চলবোৰত পানী শুকাবলৈ নৌ পাওতেই শিবিৰত থকা মানুহবিলাকক ঘূৰাই পঠোৱা হৈছিল। তেওঁলোকক যোৱা ২২ তাৰিখেই শিবিৰৰ পৰা ঘূৰাই পঠোৱা হৈছিল অথচ তেওঁলোকৰ ঘৰত এক আঠু পানী তেতিয়াও আছিল। তেওঁলোকক এনে সময়তে কিয় ঘূৰাই পঠোৱা হৈছিল সেই বিষয়ে চৰকাৰে অনুসন্ধান কৰি চাবনে?

অধ্যক্ষ মহোদয়, পলাশবাৰী সমষ্টিত যোৱা পানপানীৰ সময়ত আমাৰ ভেটেৰীনেৰি বিভাগেও যি ধৰণে সাহায্য আগ বঢ়াব লাগিছিল তেনে সাহায্য আগ বঢ়োৱা নাছিল। এইবোৰ কথা বিভাগীয় ভাৱে চালে আপোনালোকে নিশ্চয় জানিব পাৰিব। মই মোৰ বক্তব্য দীঘলীয়া কৰিব বিচৰা নাই। মহামান্য ৰাজ্যপালৰ ভাষণ খনত যিবোৰ কথা উল্লেখ কৰা হৈছে সেইবোৰ পঢ়ি

ভাল লাগিছে কিন্তু বাস্তৱ ক্ষেত্ৰত সমাধান নোহোৱাৰ কাৰণে আমি দুঃখিত হৈছো। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো। ধন্যবাদ।

Mr. Deputy Speaker : Shri Joynal Abedin will now speak. You are given 10 minute's time.

Dewan Joynal Abedin : Sir, I will need more time....

Mr. Deputy Speaker : No. you are to finish within 10 minutes only.

দেৱান জয়নাল আবেদীন : মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৰাজনৈতিক জীৱনত এটা অত্যন্ত জটিল পৰিস্থিতিত নিৰ্ব্বাচন অনুস্থিত হল আৰু সেই নিৰ্বাচনৰ মাজেদিয়ে আমি এই বিধান সভাৰ সদস্য সকল নিৰ্বাচিত হৈ আজি এই ৯ম বিধান সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰিছো। এই জটিল পৰিস্থিতিত যোৱা ১০-১২ বছৰে ৰাজ্যখনত যি অস্থিৰ পৰিস্থিতি চলি আহিছে আৰু তাৰেই কন্টিনিউৱেচনত আমি নিৰ্ব্বাচিত হৈ আছিলো। স্বাধীনতাৰ পিচৰে পৰা যোৱা প্ৰায় ৪৪ বছৰে আমাৰ দেশখনৰ মানুহে এটা কথা উপলব্ধি কৰি আহিছে যে তেওঁলোকৰ জীৱনৰ মৌলিক সমস্যাবোৰৰ কোনো সমাধান হোৱা নাই। এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত আমাৰ অৰ্থনৈতিক অৱস্থা ক্ৰমে অধগতি হৈছে আৰু এনেকুৱা এটা পৰিস্থিতিৰ কাৰণেই আজি আমাৰ ৰাইজৰ মাজত ক্ষোভ আৰু হতাশাই দেখা দিছে। এই সুদীৰ্ঘ কালছোৱাত জনতা দল আৰু অসম গণ পৰিষদ দলে শাসন কৰা সময়ছোৱা বাদ দিলে আমি দেখা পাও যে বেছি ভাগ সময়ে কংগ্ৰেছ দলে দেশ শাসন কৰিলে। সেই হিচাব মতে ৩০-৩৫ বছৰীয়া কংগ্ৰেছী শাসন কাল-ছোৱা জনতাৰ যিবোৰ সমস্যা সেই সমস্যাবোৰৰ কোনো সমাধান নহল। ইয়াত কোনো ইপ্সিত নহল। সেইবোৰকে দেখি মানুহৰ মাজত এটা বেলেগ ধৰণে আন্দোলনৰ সৃষ্টি কৰা হল। আমি সকলোৱে জানো যে যোৱা ১০ ১১ বছৰ ধৰি বিদেশী বিতাৰণৰ নামত এক আন্দোলন গঢ়ি তুলি যি চাম নেতাই শাসনৰ দায়িত্ব গ্ৰহণ কৰিলে আৰু তেওঁলোকেও সুদীৰ্ঘ পাচ বছৰ শাসন ভাৰ চলোৱাৰ পিচত অসমৰ জনসাধাৰণক কি দিলে তাক ৰাইজে প্ৰত্যক্ষ কৰিছে। তেওঁলোকৰ শাসন কালতো কংগ্ৰেছী পৰম্পৰাৰে পৰা খুব এটা পাৰ্থক্য হোৱা

দেখা নগল। কংগ্ৰেছৰ দিনত যি দুৰ্নীতি অপশাসন চলিছিল সেই কথাও অসমৰ জনসাধাৰণে প্ৰত্যক্ষ কৰিছে। অ, গ, প, ৰ আমোলত এই দুৰ্নীতি, অপকৰ্ম্মবোৰ আৰু বাঢ়ি গ'ল আৰু ইয়াৰ লগত অকৰ্ম্মণ্যতা যুক্ত হ'ল। কিন্তু আপোনালোকে এটা কথা লক্ষ্য কৰিব যে অসমৰ ৰাইজে কাকো মাৰ্জনা কৰা নাই। অসমৰ ৰাইজে যেনেকৈ কংগ্ৰেছক মাৰ্জনা কৰা নাছিল ঠিক তেনেকৈ জনতা দলকো মাৰ্জনা কৰা নাই আৰু অ, গ, প, দলকো মাৰ্জনা কৰা নাই। আজি অ, গ, প ৰ বিৰুদ্ধে অসমৰ ৰাইজৰ যি বিক্ষোভ দেখা দিছে সেই বিক্ষোভৰ সুযোগ লৈয়ে অসমত পুনৰ কংগ্ৰেছ দল শাসনলৈ আহিছে। কিন্তু আমি কংগ্ৰেছ দলৰ চৰিত্ৰ ভালদৰে জানো। এই খিনিতে মই এটা কথা কব বিচাৰিছো যে এইবাৰ ৰাইজে আমাক বাম গণতান্ত্ৰিক দলবোৰক শাসনলৈ অহাৰ বাবে এটা সুযোগ দিছিল। কিন্তু আমাৰ নেতাবোৰৰ অৰিয়া-অৰিৰ ফলতে আমি সেই সুযোগ গ্ৰহণ কৰিব নোৱাৰিলো আৰু তাৰ সুযোগ কংগ্ৰেছ দলে ললে।

যোৱা দীৰ্ঘদিন ধৰি আগৰ চৰকাৰৰ দিনৰ পৰা বিশেষকৈ এ, জি, পিৰ দিনৰে পৰা ৰাইজৰ মাজত যিবিলাক কাৰণত বিক্ষোভৰ সৃষ্টি হ'ল, ৰাইজৰ মাজত হাহাকাৰ হ'ল সেইবিলাক সমস্যাৰ সুযোগলৈ এই কংগ্ৰেছ আই চৰকাৰে নিৰ্ব্বাচনৰ আগে আগে ৰাজ্যৰ বিভিন্ন অঞ্চলত গৈ বিশেষকৈ গ্ৰাম্যাঞ্চলত গৈ ৰাইজৰ সমস্যা সমুহ নিবাকৰণৰ কিছুমান প্ৰতিশ্ৰুতি দি পূনৰ শাসনত আহি বহিল। আৰু ৰাজ্যপালৰ ভাষনত সেইবিলাক প্ৰতিশ্ৰুতি কথা উল্লেখ কৰা হৈছে মাননীয় উপাধ্যক্ষ মহোদয়, মই এজন শিক্ষক মানুহ ওৰে জীৱনতো শিক্ষকতা কৰি আহিছো, ৰাজ্যপালৰ ভাষনখন পঢ়ি মোৰ এনে ধাৰণা হৈছে যেন এইখন এখন ৰচনা কোনোবা ছাত্ৰ এজনে লিখিছে। মই ৰাজ্যপাল হলে কি কৰিলো-হেতেন। তাত সন্নিবিষ্ট এনে ধৰণে হৈছে অসমত ইমান হাজাৰ নিবনুৱাক চাকৰি দিয়া হব, ইমান সংখ্যক মাটিহীন গৃহহীন লোকক মাটি দিয়া হব, বিধৱা সকলক সুবিধা দিয়া হব হাঁহকুকুৰা দিয়া হব, পেনশ্যন দিয়া হব, ইয়াত দিব নলগা বস্তু একোয়েই নাই, কেৱল সকলো দিয়াই হব। ৰাজ্যপালৰ ভাষনত বহু বস্তুৱে দিয়া হব বুলি কোৱা হয় আৰু বহুতো কথাৰ উল্লেখ নাই। কিন্তু উপাধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন হৈছে এই চৰকাৰৰ যিবিলাক প্ৰতিশ্ৰুতি ৰাইজক দিছে য়েইবিলাকৰ প্ৰতি তেওঁলোকৰ প্ৰকৃততে নিষ্ঠা আছেনে ?

এইটো বিশেষ মন কৰিব লগীয়া কথা। মোৰ কিন্তু তেওঁলোকৰ ওপৰত কোনো আস্থা নাই। যদি প্ৰকৃততে তেওঁলোকে দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতি নিষ্ঠাবান তেনে কাৰ্য্যৰ দ্বাৰা তেওঁলোকৰ নিষ্ঠা প্ৰমাণ কৰিব পাৰে তেতিয়াহলে মই তেওঁলোকৰ প্ৰতি সমৰ্থন দিম। মাননীয় অধ্যক্ষ মহোদয়, আজি জনসাধাৰণ কঠিন পৰিস্থিতিৰ সন্মুখীন হৈছেহি গতিকে অহা ৫ বছৰৰ ভিতৰত এই চৰকাৰে যাতে তেওঁলোকে দিয়া প্ৰতিশ্ৰুতি পালন কৰিব পাৰে তাৰ বাবে প্ৰাণপনে চেষ্টা কৰে। কিন্তু ইয়াৰ বিপৰীতে যদি তেওঁলোকে ৰাইজক দিয়া প্ৰতিশ্ৰুতি পালন নকৰি ৰাইজক ভুৱা দিয়ে তেতিয়াহলে আমি আমাৰ দলৰ ফালৰ পৰা বিধান সভাৰ ভিতৰে বাহিৰে আন্দোলন গঢ়ি তুলিবলৈ কুণ্ঠাবোধ নকৰো। আনকি জঙ্গী আন্দোলন কৰিবলৈ পিচ নুহুকো। গতিকে এই চৰকাৰে তেওঁলোকৰ প্ৰতিশ্ৰুতি পাহৰি যোৱা উচিত নহয়। উপাধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো আজি এই চৰকাৰৰ আগত আটাইতকৈ প্ৰাইমাৰী টাচ্‌কটো কি? তেওঁলোকৰ আজি প্ৰধান কামটো হৈছে আজি অসম ৰাজ্যখনত জনসাধাৰণৰ ঐক্য সংহতি আৰু অসমৰ জনভৌগলিক অখণ্ডতা অক্ষুন্ন ৰখা। কিন্তু দুখৰ বিষয় আজি অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত পৃথকতাৰ মনোভাৱ মূৰ ডাঙি উঠিছে। এই অৱস্থা আজি কিয় হল? দীৰ্ঘ দিনৰ কংগ্ৰেছ শাসনৰ আমোলত আৰু বিশেষকৈ যোৱা ৫ বছৰীয়া অ গ পৰ শাসন কালত বিভিন্ন জনগোষ্ঠীৰ মনত বিক্ষোভে গা কৰি উঠিছে। আজি মাননীয় সদস্য হলিৰাম টেৰাং, কৰেন্দ্ৰ বসুমতাৰী আৰু বড়ো ডাঙৰীয়াই কিমান ধুনীয়াকৈ অসমীয়া ভাষাত ৰাজ্যপালৰ ভাষনৰ ওপৰত বক্তৃব্য ডাঙি ধৰিলে যে আমি বিশ্বাস কৰিব নোৱাৰো যে আমাৰ পাহাৰীয়া ভাই সকলে অসমীয়া ভাষা সংস্কৃতিৰ ওচৰ চাপি অহা নাছিল, তেওঁলোকে অসমীয়া ভাষা সংস্কৃতিক ভাল পাইছিল আদৰিছিল কিন্তু যোৱা দীৰ্ঘ দিনৰ কংগ্ৰেছ আৰু অ গ পৰ শাসনত তেওঁলোকৰ ওপৰত নানা ধৰণৰ নিৰ্য্যাতন চালোৱা হৈছিল, নানা ধৰণৰ নিপীড়ন জাপি দিয়া হৈছিল।

(সময়ৰ সংকেত)

মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান দৰকাৰী কথা কব বিচাৰিছো অলপ সময় দিয়ক। অসমত আজি ট্ৰাইবেল ভাই সকলে In the interest of bourgesis of Assam the tribal people have been appro-ssed mercelessly oppressed. They have been killed, they

been exploited like anything. মই কও এই চৰকাৰে সময় থাকোতেই দেৱালত লিখা কথা বিলাক লিখক, পঢ়ক আৰু শিকক। অসমখন ইতিমধ্যে বহু খণ্ড-বিখণ্ডিত হৈ গ'ল আৰু অসমৰ ৰাইজে খণ্ড-বিখণ্ড হোৱাতো নিবিচাৰে। কিন্তু এতিয়া উপায় কি আছে ? আমাৰ ট্ৰাইবেল ভাই সকলৰ প্ৰতি সহানুভূতি আছে কিন্তু তেওঁলোকে যদি চেপাবেট মনোভাৱ লয় তেতিয়াহলে কি উপায় আছে, আজি সকলো জনগোষ্ঠীৰ লোকে বিশেষ ভাৱে চিন্তা কৰা উচিত যেতিয়াই তেতিয়াই আমাৰ মাজত বিভিন্ন জনগোষ্ঠীৰ নামত বিভাজনৰ আন্দোলন হয় তেতিয়াই শাসক শ্ৰেণীয়ে বা শোষক শ্ৰেণীয়ে সুবিধা লৈ থাকে। গতিকে ট্ৰাইবেল ভাই সকলে এই কথাবিলাক গভীৰ ভাৱে চিন্তা কৰক। আজি মেঘালয় সৃষ্টি হ'ল সেইদৰে অৰুণাচল মিজোৰাম ইত্যাদি সৰু সৰু ৰাজ্য সৃষ্টি হ'ল কিন্তু তেওঁলোকৰ কিবা ভাল হৈছে নেকি, তেওঁলোকে আগেতে একগোট হৈ থাকোতে যিটো অৱস্থা আছিল তাতকৈ ভাল হৈছে নেকি। এই কথাবিলাক গভীৰ ভাৱে ভাবি চিন্তি চাবৰ হ'ল।

Mr. Speaker .... There is no time.

Shri Karendra Basumatary .... We are not separatist.

Shri Parameswar Brahma .... Honourable Member Shri Abedin has misread the constitution.

Mr. Speaker .... kindly take your seat. I would like to inform the Honourable Members that two Delux Buses have been arranged for transportation in connection with the Dinner hosted by me to-day, the 2nd August, 1991 at 8 p. m. The buses will start from old and New MLA Hostal Compound at 7.15 pm. to Hotel Brahmaputra (Ashok) and will return back after dinnar. All the Honourable Members who desire to avail of the transport may kindly board the bus at the time and place referred. I also requ est the Honourable Members kindly to attend the Dinner.

One minute more, Shri Joynal Abedin, you can speak.

**Shri Joynal Abedin** .... .... Mr. Speaker Sir, I would like to

mention one think, sorry sir, I was speaking in Assamese and hance, with your permission, I would like to speak in Assamese.

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনত যিবোৰ কথা কোৱা হৈছে তাত গ্ৰামীন সৰ্ব্ব হাৰাৰ জীয়াই থকাৰ যি কণ সম্বল লাগে সেই সম্পৰ্কে কোনো উল্লেখ নাই অথচ সেই সকলেই সংখ্যাগৰীষ্ঠ। যি সকলে আজি দিন মজুৰি কৰি জীৱন নিৰ্বাহ কৰে তেওঁলোকৰ কথা আজি ৰাজ্যপালৰ ভাষনত নাই, মিনিমাম ওৱেজৰ কথা নাই। তাৰোপৰি আমাৰ ৰাজ্যখনৰ উন্নয়নৰ কাৰণে আজি আটাইতকৈ লাগতিয়াল হৈছে ইন্দ্ৰাষ্টিয়ে লাইজেশ্যন, কেৱল ১০ লাখ লোকক চাকৰি দিৰ এই বিলাক কথাই ৰাইজক নুসুচায়। উদ্যোগী কৰণৰ কাৰণে আজি ইন্‌ফাষ্ট্ৰাকচাৰ লাগে, ইনফাষ্ট্ৰাকচাৰ বুলিলে আমি প্ৰধানকৈ যোগাযোগ আৰু বিদ্যুৎৰ ব্যৱস্থাৰ কথা ভাবো কিন্তু সেইবিলাক কথাই-জানো ৰাজ্যপালৰ ভাষনত ঠাই পাইছে? মই আৰু দীঘলীয়া নকৰো এটা বাক্য কৈ শেষ কৰিব বিচাৰিছো।

**Mr. Speaker :** The House now stands adjourned till 9 a.m on Monday, the 5th August, 1991.

## ADJOURNMENT

The House then rose at 11-30 A. M. and stood adjournment till 9.00 A. M. on Monday the 5th August, 1991.

S. N. Deka
Secretary
Assam Legislative Assembly.

Dispur
The 2nd August, 1991

## ANNEXURE— I

Statement Showing the Salary, T. A./D.A. Light Refreshment Charges / News Paper Bill Drawn by the Advisers to Governor.

| Name | Pay already drawn | T. A./ D. A. drawn for the period from | News Paper bill drawn | Light refreshment charges | Cost of P. O. L. | Total |
|---|---|---|---|---|---|---|
| 1: Shri K. N. Prasad Sr. Adviser | Rs.70,922.60 | 9-1-91 to 26-6-91 Rs.26,208.00 | Rs.1313.90 | Rs.7500.00 | Rs.23400.00 | Rs.1,29,344.50 |
| 2: Shri I. P. Gupta | Rs.73,230.60 | 14-12-90 to 24-6-91 Rs.60 911.00 | Rs.1398.50 | Rs.7500.00 | Rs.23400.00 | Rs.1,66,440.10 |
| 3. Shri P. P. Srivastava | Rs.99,504.40 | 29-11-90 to 26-6.91 Rs. 81,869.00 | Rs.1930.15 | Rs.7500.00 | Rs.23400.00 | Rs.2,14,203.55 |

Total Expenditure Rs. 5,09,988.15